*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...*

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৯ সংখ্যা, ১৪ ফাগুন, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 9 * Date Of Publication - 27 February 2022 Rs.10.00/-

## লাচিত বৰফুকনৰ ৪০০ তম জন্ম জয়ন্তীৰ বছৰজোৰা উদযাপনৰ শুভাৰম্ভ কৰে ৰাষ্ট্ৰপতিয়ে




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যপাল অধ্যাপক জগদীশ মুখী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ভাৰতৰ ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে শ্ৰীমন্ত শংকৰদেৱ কলক্ষেত্ৰত আয়োজিত এক গাম্ভীৰ্যপূণ অনুষ্ঠানত বীৰ লাচিত বৰফুকনৰ ৪০০ তম জন্ম জয়ন্তীৰ বছৰজোৰা উদযাপনৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজ্যপালগৰাকীয়ে কয়,গুৰুজনা আৰু লাচিতৰ আদৰ্শ অসমৰ বৰ্ণিল প্ৰাপ্তি। শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি, কবিতা আৰু কলাৰ নিৰন্তৰ ধাৰা আৰু অসাধাৰণ যোদ্ধা লাচিত বৰফুকনৰ সাহসিকতা- ত্যাগ সদায়েই প্ৰেৰণাদায়ক হৈ থাকিব। উত্তৰাধিকাৰীয়ে অসমৰ গৌৰৱময় এই পৰম্পৰা দুটাৰ মহান দিশক প্ৰতিনিধিত্ব কৰি থাকিব। ভাষণ প্ৰসংগত ৰাষ্ট্ৰপতি কোবিন্দে পুনৰ কয়- লাচিত বৰফুকনৰ বহুত কাহিনী অসমৰ জনসাধাৰণৰ মাজত সদায় জনপ্ৰিয়। আৰু সেয়েহে ২৪ নৱেম্বৰত তেওঁৰ জন্মজয়ন্তী সমগ্ৰ ৰাজ্যতে লাচিত দিৱস হিচাপে উদযাপন কৰা হয়। অসমৰ প্ৰতিজন লোকৰ হৃদয়ত লাচিত বৰফুকন নায়ক হৈ আছে। ১৯৯৯ চনত ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীত লাচিত বৰফুকন পদক প্ৰদান আৰম্ভ কৰা হৈছিল। যি পদক বছৰটোৰ শ্ৰেষ্ঠ কেডেটক প্ৰদান কৰা হয়। এন ডি এ চৌহদত এই মহান যোদ্ধাৰ এটা প্ৰতিমূৰ্তিও স্থাপন কৰা হৈছে। মই বিশ্বাস কৰোঁ যে লাচিত বৰফুকন আমাৰ দেশত বীৰ সৈনিকসকলৰ বাবে অনুপ্ৰেৰণা হৈ থাকিব। আমি আমাৰ স্বাধীনতাৰ ৭৫সংখ্যক বাৰ্ষিকী উদযাপন কৰি আছোঁ। কেন্দ্ৰীয় চৰকাৰে আজাদী কা অমৃত মহোৎসৱৰ অধীনত কেইবাটাও কাৰ্যসূচী আয়োজন কৰিছে। জনসাধাৰণ আৰু যুৱকসকলে যথেষ্ট উৎসাহেৰে এই কাৰ্যসূচীসমূহত অংশগ্ৰহণ কৰিছে। এই ধৰণৰ কাৰ্যসূচীয়ে আমাক অতীজৰ সৈতে সংযোগ স্থাপন কৰে আৰু আমাক ইতিহাস পুনৰ

*(পাঁচপৃষ্ঠাত চাওক)*

## সম্পাদকীয়ঃ

## ৰাছিয়া আৰু ইউক্ৰেনৰ যুদ্ধ




নিঃসংগ বা অকলশৰীয়া এটি কঠিন শব্দ। এই কঠিন শব্দটো ব্যৱহৃত হয় মানুহৰ লগত। কিন্তু এই শব্দটোৰ লগত এতিয়া সাঙুৰ খাই পৰিছে ইউক্ৰেনৰ দৰে এখন শক্তিশালী ৰাষ্ট্ৰৰ লগত। ভাৰতীয় সময় অনুসৰি পুৱা চাৰে আঠ বজাত ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে যুদ্ধ ঘোষণা কৰে। পুটিনে ইউক্ৰেইনৰ সেনাক অস্ত্ৰ সম্বৰণ কৰাৰ বাবেও আহ্বান জনায়। কিন্তু দুখৰ বিষয় যে এই যুদ্ধত ইউক্ৰেনৰ দৰে এখন শক্তিশালী ৰাষ্ট্ৰ হৈ পৰিছে একেবাৰে অকলশৰীয়া। আমেৰিকা, ব্ৰিটেইন, ইউৰূপীয়ান ইউনিয়ন, নাটোকে ধৰি সকলোৱে একেবাৰে অকলশৰীয়া কৈ এৰি দিছে ইউক্ৰেনক। সকলোৱে কয় বন্ধু পৃথিৱীৰ আটাইতকৈ মূল্যবান সম্পদ। কিন্তু আজি ইমানবোৰ বন্ধু ৰাষ্ট্ৰ থকাৰ পিছতো ইউক্ৰেন অকলশৰীয়া হোৱাৰ কথাটো এক আশ্চৰ্যকৰ বিষয়। বোলে 'পৰত আশ বনত বাস'বোলা কথাষাৰ সত্য প্ৰমাণিত হ'ল। প্ৰথম অবস্থাত ৰাছিয়া ই আক্ৰমণ কৰিলেই বন্ধু ৰাষ্ট্ৰই সহায় কৰিব বুলি ভাবি থাকোতেই আশাত চেচাঁপানী পৰিল। কোনো ৰাষ্ট্ৰ আগবাঢ়ি নাহিল ইউক্ৰেনক সহায় কৰিবলৈ। ইতিমধ্যে ৰাছিয়াৰ ৰক্ষা মন্ত্ৰালয়ে ইউক্ৰেনৰ বায়ু সেনা ঘাটিকে ধৰি কেইবাটাও স্থান ধ্বংস কৰিছে ৰাছিয়ান সেনাই। তদুপৰি ইউক্ৰেনত নিক্ষেপ কৰিছে মিছাইল। সেই হিচাপে ইউক্ৰেনৰ সেনাৰ হাততো নিহত হৈছে ৰাছিয়ান সেনা। এইদৰে অকলশৰে আৰু কিমান দিন যুজঁ দিব পাৰে ইউক্ৰেনে। সেয়া সময়ত দেখা যাব। কিন্তু সকলোৱে বাবে ভাল খবৰ হ'ব তেতিয়া যেতিয়া এই যুদ্ধৰ অবসান ঘটি শান্তি ঘুৰি আহিব।

## মীৰাবাঈ চানুৰ কমনৱেলথ গেমছৰ বাবে যোগ্যতা অৰ্জন



ৰঙিলী বাৰ্ত্তাসেৱা- অলিম্পিকত ৰূপৰ পদক বিজয়ী মীৰাবাঈ চানুৱে ২০২২ চনৰ কমনৱেলথ গেমছৰ বাবে যোগ্যতা অৰ্জন কৰিবলৈ ছিংগাপুৰ আন্তঃৰাষ্ট্ৰীয় ভাৰোত্তোলন টুৰ্ণামেণ্টত মহিলাৰ ৫৫ কিলোগ্ৰাম ওজন শাখাত স্বৰ্ণ পদক অৰ্জন কৰিছিল। মীৰাবাঈয়ে মুঠ ১৯১ কিলোগ্ৰাম (স্নেচত ৮৬ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১০৫ কিলোগ্ৰাম) উত্তোলন কৰি সোণৰ পদক জয় কৰে। যোৱা বছৰ অলিম্পিক গেমছৰ পিছত এইটো মীৰাৰ প্ৰথম প্ৰতিযোগিতা আছিল। মীৰাবাঈৰ উপৰি ভাৰতৰ সংকেত সাগৰ ৫৫ কেজি, ঋষিকান্ত সিং ৫৫ কেজি আৰু বিন্দাৰানী দেৱীও ৫৯ কেজি কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰিছে। সংকেত সাগৰে পুৰুষৰ ৫৫ কেজি শাখাত ক্লীন এণ্ড জাৰ্কত নতুন কমনৱেলথ আৰু ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি স্বৰ্ণপদক জয় কৰে। এই শাখাত ঋষিকান্তৰ ৰূপৰ পদক লাভ কৰে। আনহাতে, মহিলাৰ ৫৯ কেজিত বিন্দাৰাণীয়ে স্বৰ্ণপদক জয় কৰে।

## ভাৰতত নতুনকৈ ১১, ৪৯৯জন লোক কৰ'নাত আক্ৰান্ত



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতে যোৱা ২৪ ঘণ্টাত ১১, ৪৯৯ জন লোক নতুনকৈ কৰ'নাত আক্ৰান্ত হৈছে। দেশখনত নতুনকৈ ২৫৫ জন লোকৰ কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হৈছে। দেশত দৈনিক পজিটিভৰ হাৰ ১.০১% হয়। আনহাতে সক্ৰিয় কেছলোড ১, ২১, ৮৮১ লৈ হ্ৰাস হয়।

# বটদ্ৰৱাৰ জাজৰীত তাঁতশাল শিল্পী সকলৰ লগত মত বিনিময় অনুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মধ্যবিত্ত পৰিয়ালৰ সঞ্চয়ৰ এটি উৎস হৈছে বোৱা-কটা শিল্প অৰ্থাৎ তাঁতশাল শিল্প। এই তাঁতশাল শিল্পৰ ক্ষেত্ৰত জাজৰীৰ আছে এক সুকীয়া পৰিচয়। দ্বিতীয় শুৱালকুচি বুলিও জনাজাত। অসমৰ বিভিন্ন প্ৰান্তত জাজৰীৰ কাপোৰে সমাদৰ লাভ কৰিছে । বহিঃ ৰাজ্যতো গৈ বহু শিপিনীযে প্ৰশিক্ষণ লৈ আহিছে। সেই তাহানিৰ যুগৰ পৰাই জাজৰীৰ প্ৰত্যুক ঘৰৰ জীয়ৰী বোৱাৰী সকলে তাঁতশালত কাপোৰ বুই পৰিয়ালক আৰ্থিক ক্ষেত্ৰত টনকিয়াল কৰি আহিছে। মহা মানৱ মহাত্মা গান্ধীয়ে কোৱা "অসমীয়া শিপিনীয়ে কাপোৰত সপোন ৰচিব পাৰে,সেই কথাষাৰৰ সত্যতা জাজৰীলৈ গলে এতিয়াও দেখিবলৈ পোৱা যায়। যুগ-যুগ ধৰি চলাই আহা জাজৰীৰ তাঁতশাল শিল্পক কেনেদৰে আগুৱাই লৈ যাব পাৰি তাৰ ওপৰত ২০ ফেব্ৰুৱাৰী বিয়লি তিনি বজাত তাঁতশাল শিল্পৰ লগত জড়িত শিল্পীসকলৰ লগত এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত জাজৰী মুছলিম গাঁও বোৱা-কটা সমবায় সমিতিৰ সম্পাদিকা নাজিমা বেগম(মেভি)য়ে জাজৰীৰ এই শিল্পৰ পূৰ্বৰ পৰা চলি অহা সুনামৰ কথা কয় আৰু এই শিল্পক কেনেদৰে আৰু আগুৱাই লৈ যাব পাৰি তাৰ ওপৰত শিল্পী সকলক পৰামৰ্শ আগবঢ়ায়। উক্ত অনুষ্ঠানত বিশিষ্ট সমাজ কৰ্মী আবুল খাইৰ, স্কাউড গাইড প্ৰশিক্ষক চফিকুল হক, জাজৰী গাঁও উন্নয়ন সমিতিৰ সম্পাদক হিবজুৰ ৰহমানেও পৰামৰ্শ আগবঢ়ায় শিল্পী সকলক। উদীয়মান যুৱক ইউনুচ আলী আৰু আছাদুৰ ৰহমানে আঁতধৰা অনুষ্ঠানটোত জাজৰী অঞ্চলৰ প্ৰায় দুই শতাধিক তাঁতশালৰ লগত জড়িত শিল্পী উপস্থিত থাকে।

# চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ জনীয়া সমষ্টিৰ বিধায়ক হাফিজ ৰফিকুল ইছলামক সাক্ষাৎ

ৰঙিলী বাৰ্ত্তাসেৱা- সদৌ অসম নতুনকৈ প্ৰাদেশিকৃত মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ যোগ্য চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলে মংগলবাৰে জনীয়া সমষ্টিৰ বিধায়ক হাফিজ ৰফিকুল ইছলামক সাক্ষাৎ কৰি অহা মাৰ্চ মাহৰ ১৪ তাৰিখে অনুষ্ঠিত হব লগিয়া বাজেট অধিবেশনত তেওঁলোকৰ বিভিন্ন সমস্যা সমূহ উত্থপন কৰিবলৈ অনুৰোধ জনাই। তেওঁলোকে বিধায়ক গৰাকীক দিশপুৰৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰি পদ প্ৰাদেশিকীকৰণৰ বিষয়টো বিশেষকৈ কেতিয়াৰ পৰা নিযুক্তি, কেতিয়াৰ পৰা দৰমহা মুকলি আৰু ফাইলৰ পুনৰীক্ষণ প্ৰক্ৰিয়া অতি সোনকালে শেষ কৰিবলৈ, সম্পূৰ্ণ দৰমহা কাৰনে দাবী উত্থাপন কৰি শিক্ষামন্ত্ৰী লৈ প্ৰশ্ন উত্থাপন বাবে অনুৰোধ জনাই। বিধায়ক হাফিজ ৰফিকুল ইছলামেও বিষয়টো গুৰুত্বসহকাৰে লৈ প্ৰশ্ন সমূহ বিধানসভাৰ অধ্যক্ষলৈ প্ৰেৰন কৰিব বুলি আশ্বাস প্ৰদান কৰে। যোৱা কালি বিধায়ক গৰাকীক সাক্ষাৎকালত সদৌ অসম নতুনকৈ প্ৰাদেশিকৃত মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ যোগ্য চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক মহিদুল কবিৰ, প্ৰনয় নাথ, অমল সূত্ৰধৰ, দিপ্তী ৰয়, ধনঞ্জয় দাস, আবুল বাতেন, হজৰত আলী, বদশ্বাহ আলী, আব্দুল জলিল কাজীকে আদি কেইবাগৰাকী লোকে অংশ গ্ৰহণ কৰে।

# অধিগ্ৰহণ আইন, ১৮৯৪ আৰু পঞ্জীয়ন (অসম সংশাধেনী) আইন, ২০০৯ ভংগ কৰি বহিৰাগত ব্যৱসায়ীলৈ উপহাৰ দিলে ৰাজ্যৰ মাটিঃ জ্যেষ্ঠ মুখপাত্ৰ মনজিৎ মহন্ত

ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰচলিত আইনৰ সকলো বিধি-বিধান উলংঘা কৰি ৰে'ল বিভাগৰ দখলত থকা গুৱাহাটী মহানগৰীৰ মাজমজিয়াৰ ৫৮ বিঘা মাটি পানীৰ দৰত তিনিজন বহিৰাগত বণিয়াক চমজাই দিয়া ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চূড়ান্ত মিথ্যাচাৰৰ আশ্ৰয় লৈছে বুলি আজি গুৰুতৰ অভিযাগে তুলিছে অসম প্ৰদেশ কংগ্ৰেছৰ সংবাদ মাধ্যম বিভাগৰ তত্বাবধায়ক তথা প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ মনজিৎ মহন্তই। উল্লেখযাগ্যে যে শেহতীয়াকৈ ৰে'ল বিভাগে গুৱাহাটীৰ মাজমজিয়াৰ গুৱাহাটী ক্লাব-আমবাৰী হৈ উজানবজাৰলৈ থকা পুৰণি ৰে'লৰ আলি আৰু তাৰ কাষৰ ৰে'ল কৰ্মচাৰীৰ আৱাসগৃহৰ মুঠ ১৮ বিঘা আৰু গুৱাহাটী ৰে'ল ষ্টেচনৰ সমীপৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গাতে লাগি থকা ৪০ বিঘা মাটি পানীৰ দৰত ক্ৰমে ঋষি গুপ্তা, উত্তম বেৰিয়া আৰু অৰুণ বাজাজ নামৰ তিনিজন বণিয়াক ৯৯ বছৰৰ বাবে মাত্ৰ ১০০ কোটি টকাৰ লীজত অৰ্পণ কৰাৰ প্ৰসংগক লৈ চৰকাৰক তীব্ৰ সমালাচেনা কৰে প্ৰদেশ কংগ্ৰেছে। প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ মহন্তই আজি সাংবাদিকৰ সৈতে কথা বতৰা হওঁতে এই সম্পৰ্কে মই একো নাজানো বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কোৱা কথাক প্ৰত্যাহ্বান জনাই কয়



যে ভূমি ৰাজ্য চৰকাৰৰ কৰ্তৃত্ব বিষয়। তাৰ পাছতাে এগৰাকী দায়িত্বশীল মুখ্যমন্ত্ৰীয়ে এই বিষয়ে মই একো নাজানাে'বুলি কোৱাটোৱে দুটা দিশ উন্মাচেিত কৰিলে- তেওঁ মুখ্যমন্ত্ৰী হিচাপে এই বক্তব্যৰ দ্বাৰা নিজৰ ব্যৰ্থতা মানি লৈছে, ৰাজ্যবাসীক আকৌ এটা গাকোট মিছা কথাৰে আভুৱা ভাৰিব খুজিছে।মহন্তই কয় যে ভূমি অধিগ্ৰহণ আইন, ১৮৯৪ আৰু পঞ্জীয়ন (অসম সংশোধনী) আইন, ২০০৯ অনুসৰি ৰাজ্যৰ ৰাজহ বিভাগ আৰু সংশ্লিষ্ট জিলা উপায়ুক্তৰ আপত্তিবিহীন প্ৰমাণপত্ৰ অবিহনে এনেদৰে ভূমি হস্তান্তৰিত কৰিবই নাৱোৰি। ভূমি অধিগ্ৰহণ আইন, ১৮৯৪ আৰু পঞ্জীয়ন (অসম সংশাধেনী) আইন, ২০০৯ য়ে এই বিষয়ত স্পষ্ট নিৰ্দেশনা দি থৈছে। তাৰ পাছতো ৰাজ্যৰ এগৰাকী মুখ্যমন্ত্ৰী হৈ এই বিষয়ে মই একো নাজানো বুলি কোৱাটো চূড়ান্ত হাস্যকৰ বুলি মহন্তই কয়। তদুপৰি তেওঁ কয় যে ৰাজহুৱা স্বাৰ্থত ৰাজ্যৰ মাটি প্ৰয়াজেন অনুসৰি ৰে'লৱেৰ দৰে চৰকাৰী প্ৰতিষ্ঠানক ব্যৱহাৰৰ বাবে দিয়া হয় যদিও মাটিৰ গৰাকী স্বত্ব ৰাজ্য চৰকাৰৰহে। ৰাজ্য চৰকাৰৰ আপত্তিবিহীন প্ৰমাণপত্ৰ নাথাকিলে ৰাজ্যৰ মাটি ৰে'লৱেই কোনো গুপ্তা, বেৰিয়া বা বাজাজক লীজ ত দিয়াৰ প্ৰশ্নই উঠিব নাৱোৰে। ইয়াৰ দ্বাৰা অসমৰ মুখ্যমন্ত্ৰীজন যে চূড়ান্ত মিথ্যাচাৰী সেই কথা তেওঁ নিজেই আকৌ প্ৰমাণ কৰি দিলে।তেওঁ কয় যে উল্লিখিত তিনিওজন ব্যৱসায়ী আৰ এছ এছৰ ঘনিষ্ঠ বণিয়া বুলি গুৱাহাটীৰ ব্যৱসায়ী মহলত সুপৰিচিত। সেই সুবাদতে সকলো আইনকানুন ভৰিৰে মোহাৰি আৰু চূড়ান্ত মিথ্যাচাৰেৰে বৃহৎ ভূমিখণ্ড তেওঁলোকক উপহাৰ দিয়া হ'ল নেকি বুলি মহন্তই প্ৰশ্ন তোলে। যিসময়ত ৰাজ্যৰ লাখ লাখ নিবনুৱাই সংস্থাপনৰ অভাৱত জীয়াতুভুগিব লাগিছে, উচ্চশিক্ষা লাভ কৰিও বছৰ বছৰ ঘৰত বহি দিন পাৰ কৰিবলগীয়া হৈছে, ক'ৰনা সৃষ্ট পৰিৱেশে যিসময়ত থলুৱা উদ্যোগীসকলৰ অৱস্থা পানীত হাঁহ নচৰা কৰি তুলিছে তেনে এটা সময়ত তিনিজন বহিৰাগত বণিয়াৰ

( তিনিপৃষ্ঠাত চাওক)

# অনুসূচিত জাতি উন্নয়ন নিগম লিমিটেডৰ সংবাদ মেল

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ৰ সহযোগত আৰু অসম ৰাজ্যিক অনুসূচিত জাতি উন্নয়ন নিগম লিমিটেডৰ উদ্যোগত কাইলৈৰ পৰা দহ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ সোণাৰাম হাইস্কুল খেলপথাৰত আৰম্ভ হ'ব গান্ধী শিল্প বজাৰ । য'ত থাকিব দেশৰ বিভিন্ন ঠাইৰ ১০০ খন বিপণী। এই বিপণী সমুহৰ জৰিয়তে অনুসুচিত জাতিৰ বিভিন্ন সম্প্ৰদায়ৰ ব্যক্তিসকলে তেওঁলোকৰ দ্বাৰা উৎপাদিত বিভিন্ন সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰীৰ ব্যৱস্থা কৰিব। এই ধৰণৰ গান্ধী শিল্প বজাৰ পৰৱৰ্তী সময়ত তেজপুৰ



আৰু নগাঁওতো অনুষ্ঠিত হ'ব। আজি দিছপুৰ প্ৰেছক্লাবত অনুষ্ঠিত এক সংবাদ মেলত অসম ৰাজ্যিক অনুসূচিত জাতি উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ জয়ন্ত কুমাৰ দাস আৰু উপাধ্যক্ষ লক্ষীধৰ শেনচোৱাই এই কথা সদৰি কৰে। অনুসূচিত জাতিৰ মহিলাসকলৰ সামগ্ৰীক উন্নয়নৰ বাবে নিগমে গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীৰ কথা উল্লেখ কৰি সংবাদ মেলত অধ্যক্ষ দাসে কয় যে - অনুসূচিত জাতিৰ মহিলা শিল্পীৰ

( তিনিপৃষ্ঠাত চাওক)

# ডিগবৈত ধঁপাত সেৱনৰ অপকাৰীতা শীৰ্ষক বক্তৃতানুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ বজাৰত উপলব্ধ বিভিন্ন ব্ৰেণ্ডৰ পানমছলাত স্বাস্থ্যৰ বাবে হানিকাৰক মেগনেছিয়াম কাৰ্বনেট থকাটো প্ৰমাণিত হৈছে। ইতিমধ্যে মেগনেছিয়াম কাৰ্বনেট থকাৰ বাবে বিহাৰ, মধ্য প্ৰদেশ, ৰাজস্থান আদি ৰাজ্যত পানমছলাৰ বিক্ৰী নিষিদ্ধ কৰা হৈছে। মেগনেছিয়াম কাৰ্বনেট যুক্ত পান মছলা সেৱন কৰিলে বহু জটিল ৰোগ হব পাৰে। ছাত্ৰ-ছাত্ৰীসকল এনে ক্ষতিকাৰক বস্তুৰ পৰা সদায় দূৰত থাকিব লাগে। এই মন্তব্য গুৱাহাটী উচ্চন্যায়ালয়ৰ অধিবক্তা তথা কনজিউমাৰ্চ লীগেল প্ৰটেকশ্যন ফৰাম, অসমৰ সচিব অধিবক্তা অজয় হাজৰিকা। উল্লেখ্য যে ডিগবৈৰ বালিজানবৰজান মধ্য ইংৰাজী বিদ্যালয় আৰু নবৰুণ যুথ ক্লাব, ডিগবৈ যৌথ উদ্যোগত ধঁপাত সেৱনৰ অপকাৰীতা শীৰ্ষক এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক মনোতোচ বিশ্বাস আৰু সহকাৰী শিক্ষক সংগীতা ভৰালী বৰাৰ উপস্থিতিত অনুষ্ঠিত এই বক্তৃতানুষ্ঠানৰ মূল বক্তৃতা প্ৰদান কৰি অধিবক্তা হাজৰিকাই কয় - আন্তৰ্জাতিক সমীক্ষা মতে ধঁপাত আৰু ধঁপাত জাতীয় সামগ্ৰী সেৱনৰ ফলত ২০২০ বৰ্ষত সমগ্ৰ বিশ্বতে কৰ্কট ৰোগীৰ সংখ্যা ৰ কোটি ৯৩ লাখলৈ বৃদ্ধি পাইছে। অন্য এক গৱেষণা মতে সমগ্ৰ বিশ্বত ৫ জন লোকৰ ভিতৰত ৰ জন লোক নিজৰ জীৱন কালত কৰ্কট ৰোগত আক্ৰান্ত হব। এখন শিক্ষানুষ্ঠানৰ পৰা ১০০ মিটাৰৰ ভিতৰত ধঁপাত আৰু ধঁপাত জাতীয় সামগ্ৰী বিক্ৰী আইনবিৰুদ্ধ। শিক্ষক আৰু অভিভাৱক সকলে ধঁপাত আৰু ধঁপাত জাতীয় সামগ্ৰী সেৱনৰ ফলত স্বাস্থ্যৰ ওপৰত পৰিব পৰা ভয়াৱহ প্ৰভাৱ আৰু ইয়াৰ পৰা হবলগীয়া ৰোগৰ বিষয়ে শিশু, কিশোৰ আৰু যুৱ প্ৰজন্মক বুজোৱা উচিত। বক্তৃতানুষ্ঠানত উপস্থিত থকা ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক, আৰু স্থানীয় লোকসকলৰ সৈতে ধঁপাত আৰু ধঁপাত জাতীয় সামগ্ৰীৰ ব্যৱহাৰৰ ফলত হব পৰা অপকাৰীতা সন্দৰ্ভত মত-বিনিময় কৰি অধিবক্তা হাজৰিকাই কয় খাদ্য সুৰক্ষা আৰু মানবিশিষ্ট আইনৰ অধীনত গুটকা, পান মছলা, ধঁপাত আৰু নিকোটিন থকা যি কোনো খোৱা সামগ্ৰীৰ প্ৰস্তুত, জমা, সৰবৰাহ, বিতৰণ, প্ৰদৰ্শন বা বিক্ৰীৰ ক্ষেত্ৰত অসম চৰকাৰে সময়ে সময়ে নিষেধাজ্ঞা আৰোপ কৰি আহিছে। বৰ্তমানৰ কোভিড জনীত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিশ্ব স্বাস্থ্য সংস্থা, আইচিএমআৰে ধঁপাত আৰু ধঁপাতজাতীয় সামগ্ৰী ব্যৱহাৰৰ ক্ষেত্ৰত বাধা আৰোপ কৰিছে।

# ৰে'লৰ ৫৮ বিঘা মাটি বণিয়াক দিয়াৰ প্ৰতিবাদত গুৱাহাটীত চি পি আই (এম)ৰ উত্তাল প্ৰতিবাদ




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ মাজ মজিয়াত থকা ৫৮ বিঘা ৰে'লৰ মাটি ব্যক্তিগত ব্যৱসায়ীক পানীৰ দামত গতাই দিয়াৰ প্ৰতিবাদত আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে চি পি আই (এম)দলে। দলৰ ৰাজ্যিক কমিটীৰ উদ্যোগত মালিগাঁওস্থিত এন এফ ৰে'লৱেৰ সদৰ কাৰ্যালয়ৰ সন্মুখত দুই শতাধিক পাৰ্টিৰ সভ্য-সমৰ্থকৰ লগতে সাধাৰণ লোক উপস্থিত হৈ বিক্ষোভ প্ৰদৰ্শন কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লেকাৰ্ড, বেনাৰ লৈ বণিয়াক ৰে'লৰ মাটি দিয়াৰ সিদ্ধান্ত বাতিল কৰক, বণিয়াক নহয় ভূমিহীনক মাটি দিয়ক, অসমৰ মাটি অসমৰ ৰাইজক ঘূৰাই দিয়ক, ৰাজহুৱা সম্পত্তি বেচৰকাৰীকৰণৰ নীতি প্ৰত্যাহাৰ কৰক আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। বিজেপি চৰকাৰৰ বণিয়াপ্ৰীতি আৰু গুৱাহাটীৰ কেন্দ্ৰস্থলৰ মাটি পানীৰ দামত বণিয়াক দিয়াৰ ক্ষোভত একাংশ স্থানীয় ৰাইজেও প্ৰতিবাদী কাৰ্যসূচীত যোগদান কৰে। চি পি আই (এম)ৰ আন্দোলন কাৰ্যসূচীৰ খবৰ আগতীয়াকৈ লাভ কৰি মালিগাঁওস্থিত ৰে'লৰ মুখ্য কাৰ্যালয়ত ব্যাপক সংখ্যক আৰক্ষী আৰু ৰে'ল আৰক্ষী নিয়োগ কৰে। আৰক্ষীৰ বাধা নেওচিও বৃহৎসংখ্যক প্ৰতিবাদকাৰী সেই স্থানত সমৱেত হয় আৰু জংগী প্ৰতিবাদ আৰম্ভ কৰে। প্ৰতিবাদকাৰীসকলক উদ্দেশ্যি চমু বক্তব্য দাঙি ধৰে চি পি আই (এম)ৰ ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰে। বক্তব্যত তীব্ৰ ক্ষোভ প্ৰকাশ কৰি তালুকদাৰে কয় যে বিজেপি চৰকাৰে চূড়ান্ত জনবিৰোধী দৃষ্টিভংগীৰে ৫৮ বিঘা ৰে'লৰ মাটি পানীৰ দামত বণিয়াক দিব ওলাইছে। যি বিজেপি চৰকাৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক সমাধিস্থ কৰাৰ বাবে গুৱাহাটীত এডোখৰ মাটি দিব নোৱাৰিলে সেই চৰকাৰে বণিয়াক মাটি দিবলৈ উঠি-পৰি লাগিছে। এয়া চৰম লজ্জাজনক আৰু অসমৰ স্বাৰ্থৰ পৰিপন্থী। তেওঁ আৰু কয়- যদি ৰে'লৰ প্ৰয়োজন নাই তেন্তে শীঘ্ৰে সেই মাটি অসম চৰকাৰক ঘূৰাই দিব লাগে আৰু অসম চৰকাৰে গুৱাহাটীৰ ভূমিহীন আৰু গৃহহীন পৰিয়ালবোৰৰ বাবে সেই মাটি ব্যৱহাৰ কৰিব লাগে। বিজেপি চৰকাৰে বৃহৎ ব্যৱসায়ীক কৰ-কটাল ৰেহাই দিছে আৰু ৰাজহুৱা সম্পত্তি বিক্ৰী কৰি দেশ চলাবলৈ ওলাইছে। চমু বক্তব্য দাঙি ধৰি দলৰ ৰাজ্যিক নেতা শতশ্ৰীৰ দাসে কয় যে বিজেপি চৰকাৰে গ্ৰহণ কৰা নেশ্বনেল মনিটইজেশ্বন পলিচিৰ মাজেৰে ৰে'লকে ধৰি অন্যান্য বিভাগৰ ছয় লাখ কোটি টকা মূল্যৰ মাটি-সম্পত্তি আদি বিক্ৰী কৰিবলৈ উঠি-পৰি লাগিছে। ৰাজহুৱা খণ্ডক ধ্বংস কৰি সেই সম্পত্তি কেইজনমান বৃহৎ ব্যৱসায়ীৰ মাজত বিতৰণ কৰা এই জনবিৰোধী কৰ্মকাণ্ডৰ বিৰুদ্ধে ধাৰাবাহিক আন্দোলন গঢ়ি তুলিব লাগিব। প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে ৫৮ বিঘা মাটি বণিয়াক দিয়াৰ সিদ্ধান্ত শীঘ্ৰে বাতিল কৰাৰ দাবী জনাই উত্তৰ-পূব সীমান্ত ৰে'লৱে মহাপ্ৰবন্ধকৰ জৰিয়তে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰীলৈ এক স্মাৰক পত্ৰ প্ৰদান কৰে। প্ৰতিবাদকাৰীসকলৰ আগত এই স্মাৰকপত্ৰ পাঠ কৰে দলৰ ৰাজ্যিক সম্পাদকমণ্ডলীৰ সদস্য ইচ্ফাকুৰ ৰহমানে। সুপ্ৰকাশ তালুকদাৰ, ইচ্ফাকুৰ ৰহমান, টিকেন দাস আৰু শতশ্ৰীৰ দাসক লৈ গঠিত প্ৰতিনিধি দলটোৱে মহাপ্ৰবন্ধকৰ প্ৰতিনিধিৰ হাতত এই স্মাৰকপত্ৰ অৰ্পণ কৰে।

# ৰেচন কাৰ্ড থকা চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰিব চৰকাৰে

ৰঙিলী বাৰ্ত্তাসেৱা- দীৰ্ঘদিন ধৰি ভুৱা তথ্য-পাতিৰে একাংশ চৰকাৰী কৰ্মচাৰীয়ে অ**ন্তযো**দয়া অন্ন যোজনা (এ এ ৱাই)ৰ কাৰ্ড সংগ্ৰহ কৰি দুখীয়া লোকসকলৰ বাবে অহা খাদ্য সামগ্ৰী সংগ্ৰহ কৰি অহাই নহয়, আৰ্থিকভাৱে যথেষ্ট সচ্ছল হোৱা সত্বেও এ এ ৱাই কাৰ্ডৰ জৰিয়তে চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰি আহিছে। খাদ্য আৰু অসামৰিক যোগান বিভাগ ইয়াকে লৈ বিভিন্ন সময়ত উত্থাপন হৈ থকা অভিযোগৰ পাছতে শেহতীয়াকৈ তৎপৰ হৈ পৰিছে। বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অবৈধভাৱে দখল কৰি থকা পৰিয়াল পৰিচয়-পত্ৰ স্বেচ্ছাই প্ৰত্যাহাৰ কৰিবলৈ আবেদন জনাইছিল। সেই আবেদনৰ প্ৰতি কিছুসংখ্যক লোকে সঁহাৰি জনাইছিল যদিও এতিয়াও সৰহসংখ্যক চৰকাৰী চাকৰিয়ালে ভুৱা তথ্যৰে ৰেচন কাৰ্ডৰ জৰিয়তে সংগ্ৰহ কৰি আহিছে খাদ্য-সামগ্ৰী। সেয়েহে শেহতীয়াকৈ ৰাজ্য চৰকাৰে অহা ৰপ্ত মাৰ্চৰ ভিতৰত প্ৰতিজন চৰকাৰী কৰ্মচাৰীক পৰিয়াল পৰিচয়-পত্ৰ স্বেচ্ছাই প্ৰত্যাহাৰ কৰিবলৈ অন্তিম সীমা বান্ধি দিছে। অন্যথা এনে ৰেচন কাৰ্ড থকা চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰিব বুলিও স্পষ্ট কৰি দিছে।

# অনুসূচিত জাতি


কাৰিকৰী জ্ঞানৰ বাবে অচিৰে দুমহীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। এই প্ৰশিক্ষণ সমূহ থাকিব নগাঁও, তেজপুৰ, শিৱসাগৰ, গুৱাহাটী, আৰু নলবাৰীত ।প্ৰতিটো কেন্দ্ৰত ৪০ গৰাকীকৈ মহিলাক মুঠ ২০০ মহিলা শিল্পীক কাৰিকৰী জ্ঞানৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব ।প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষিত মহিলা শিল্পীক তাঁতশাল, এম্ব্ৰইডাৰী মেচিন আদি সামগ্ৰী যোগান ধৰা হ'ব ।সংবাদ মেলত অনুসূচিত জাতি উন্নয়ন নিগম লিমিটেডৰ মুখ্য গাণনিক বিষয়া পংকজ বৰা উপস্থিত থাকে।

# অধিগ্ৰহণ আইন

হাতত গুৱাহাটীৰ মাজমজিয়াৰ ৫৮ বিঘা মাটি গতাই দিয়াৰ ৰহস্য কি বুলি প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰজনে মুখ্যমন্ত্ৰীক উদ্দেশ্যি প্ৰশ্ন তালে। বছৰি লাখ লাখ নিবনুৱাক সংস্থাপন দিব বুলি কৈ এটা বছৰ সম্পূৰ্ণ কৰাৰ আগমুহূৰ্তত সেই প্ৰতিশ্ৰুতিৰ পৰা মূৰ পালোকো মৰা এইজন মুখ্যমন্ত্ৰী অসমৰ থলুৱা নিবনুৱাৰ প্ৰতি কিমান দায়িত্বশীল তেওঁৰ এই বহিৰাগত প্ৰীতিয়েই উদঙাই দিলে বুলি কৈ তেওঁ ৫৮ বিঘা মাটিৰ গোপন খেলাখনৰ সম্পৰ্কত অসম চৰকাৰ, গুৱাহাটী মহানগৰ জিলাৰ উপায়ুক্ত আৰু ৰাজ্যৰ ৰাজহ বিভাগৰ ৰাজহুৱা বক্তব্য দাবী কৰিছে।

# একবিংশ শতিকাৰ দুটা দশকৰ অসমীয়া চুটিগল্প

লক্ষীপ্ৰিয়া বৰা গোলাঘাট




চুটিগল্প ঊনবিংশ শতাব্দীৰ অভিনৱ সাহিত্য সৃষ্টি। সাহিত্যৰ বিশিষ্ট বিভাগ হিচাপে বৰ্তমান যুগত চুটিগল্পৰ জনপ্ৰিয়তা ব্যাপক। চুটিগল্প হ'ল সাহিত্যৰ এক বিশেষ শিল্পকৃতি, য'ত পোৱা যায় ক্ষণিকৰ বুকুত চিৰন্তনৰ ব্যঞ্জনা আৰু বিন্দুৰ বুকুত সিন্ধুৰ চেতনা। পৃথিৱীৰ প্ৰথম চুটিগল্প কোনটো সঠিককৈ কোৱা টান। তথাপি বালজাকৰ 'ড্ৰল ষ্টৰিজ'ৰ গল্পসমূহতে প্ৰথমবাৰৰ কাৰণে উপন্যাসিকা আৰু চুটিগল্পৰ চিন-নিচিন সীমান্ত অতিক্ৰম কৰি গল্প সাহিত্যই চুটিগল্পৰ নিশ্চিত ৰাজ্যত প্ৰৱেশ কৰাৰ আভাস পোৱা যায়। মেৰিমেৰ হাততেই চুটিগল্পই তাৰ স্বতন্ত্ৰ বৈশিষ্ট্য লাভ কৰা বুলি ক'ব পাৰি। অৱশ্যে, ফৰাচী আৰু ৰুছ সাহিত্যত প্ৰায় একেটা সময়তে দুগৰাকী ক্ষণজন্মা কথাগুৰুৰ আবিৰ্ভাৱ ঘটে। মোপাচাঁ আৰু চেখভ দুয়ো যেন পৃথিৱীত জন্মগ্ৰহণ কৰিছিল চুটিগল্পক সাহিত্যৰূপ হিচাপে গজগজীয়া কৰি তুলিবৰ বাবেহে। অসমীয়া সাহিত্যও সেই কল্যানময় শুভ-সংক্ৰমণৰ ব্যতিক্ৰম হৈ নৰ'ল। অসমীয়া সাহিত্যলৈ এই নৱতম সাহিত্যৰূপটোক সুৰাগুৰি তুলি আনিছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই। কলিকতাৰ পৰা প্ৰকাশিত জোনাকী কাকতৰ চতুৰ্থ বছৰ চতুৰ্থ সংখ্যাত(১৮৯২) প্ৰকাশ পোৱা বেজবৰুৱা দেৱৰ 'সেউতী'য়েই হ'ল প্ৰথম অসমীয়া চুটিগল্প। বেজবৰুৱাৰ লগতে প্ৰাৰম্ভিক কালত অসমীয়া চুটিগল্পক সমৃদ্ধ কৰা গল্পকাৰ কেইজন হ'ল-- শৰৎ চন্দ্ৰ গোস্বামী, নকুল চন্দ্ৰ ভূঞা, সূৰ্যকুমাৰ ভূঞা, দণ্ডিনাথ কলিতা, লক্ষ্মীনাথ ফুকন, মিত্ৰদেৱ মহন্ত, মহীচন্দ্ৰ বৰা, হলিৰাম ডেকা আদি। পিছৰ পৰ্যায়ত ৰামধেনু কাকতকে কেন্দ্ৰ হিচাপে লৈ অসমীয়া গল্পকাৰে অসমীয়া চুটিগল্পক ৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰিলে নন ভাৱ তথা আংগিকেৰে। ৰামধেনু যুগৰ প্ৰধান গল্পকাৰ সকলৰ ভিতৰত উল্লেখযোগ্য হ'ল - চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, মহিম বৰা, সৌৰভ কুমাৰ চলিহা, ভবেন্দ্ৰ নাথ শইকীয়া, হোমেন বৰগোহাঞি, নিৰোদ চৌধুৰী, চন্দ্ৰপ্ৰসাদ শইকীয়া, স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি, অতুলানন্দ গোস্বামী, শীলভদ্ৰ, মামণি ৰয়ছম গোস্বামী, নগেন শইকীয়া, অনিমা দত্ত, প্ৰবীণা শইকীয়া, গোবিন্দ প্ৰসাদ শৰ্মা, কুমুদ গোস্বামী, অপূৰ্ব শৰ্মা, ভদ্ৰেশ্বৰ শইকীয়া, ৰিজু হাজৰিকা, যতীন বৰা, লক্ষ্মীনন্দন বৰা আদি। ৰামধেনু আলোচনীৰ প্ৰকাশ বন্ধ হৈ যোৱাৰ লগে লগে অসমীয়া গল্প সাহিত্যইও সুঁতি সলাইছিল। ইয়াৰ মূলতে হ'ল এই সময়ছোৱাত সংঘটিত বিভিন্ন সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক পৰিৱৰ্তন। ভাৰতবৰ্ষই ১৯৪৭ চনতে স্বাধীনতা লাভ কৰিলে যদিও ইয়াৰে বিভিন্ন অঞ্চল আগৰ দৰেই অনগ্ৰসৰ হৈ ৰ'ল। অধিকাংশ লোকৰে স্বাধীনতা সম্পৰ্কে থকা ধাৰণাৰ প্ৰতি মোহভংগ ঘটিল। বিভিন্ন- গোষ্ঠীয়ে তেওঁলোকৰ প্ৰাপ্য আদায়ৰ বাবে হাতত বন্দুক তুলি লৈ সশস্ত্ৰ সংগ্ৰাম আৰম্ভ কৰিলে। অস্তিত্ব ৰক্ষাৰ আন্দোলন, স্বাধীন অসমৰ আন্দোলন আদিত অসমীয়া সমাজ জীৱন জৰ্জৰিত হৈ পৰিল। এইবোৰ ঘটনাৰ প্ৰকাশ অসমীয়া সাহিত্যতো বিদ্যমান হৈ পৰিল। বিংশ শতিকাৰ শেষৰ আৰু একবিংশ শতিকাৰ প্ৰথমৰ চুটিগল্পসমূহ আৰু পূৰ্বৰ দৰে নিটোল ফল হৈ নাথাকি আধুনিক কবিতাৰ দৰেই কূট আৰু ৰহস্যময় হৈ উঠিল। একৈশ শতিকাৰ পাৰ হৈ যোৱা দশক দুটাত কেইবাজনো প্ৰতিষ্ঠিত গল্পকাৰে ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি অহাৰ লগতে বহু কেইজন প্ৰচুৰ সম্ভাৱনা পূৰ্ণ গল্পকাৰৰ আৱিৰ্ভাৱ ঘটিল -- অৰুণ গোস্বামী, অনিল শইকীয়া, অখিল চক্ৰৱৰ্তী, অৰূপা পটংগীয়া কলিতা, অনুৰাধা শৰ্মা পূজাৰী, মণিকুন্তলা ভট্টাচাৰ্য, অভিজিৎ শৰ্মা বৰুৱা, মনোৰমা মেধি, জ্যোতিষ শিকদাৰ, দেৱব্ৰত দাস, নবীন বৰুৱা, প্ৰশান্ত কুমাৰ দাস, প্ৰশান্ত ৰাজগুৰু, বিপুল কুমাৰ শইকীয়া, বিজয় শংকৰ শৰ্মা, ভূপেন শৰ্মা, বিপুল খাটনীয়াৰ, বন্দিতা ফুকন, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য, ভৃংগেশ্বৰ শৰ্মা, মদন শৰ্মা, মনোজ কুমাৰ গোস্বামী, যমুনা শৰ্মা চৌধুৰী, ৰং বং তেৰাং, ৰফিকুল হুছেইন, শিবানন্দ কাকতি, স্যামন্ত ফুকন, হিৰণ্য কাশ্যপ, য়েছে দৰজে ঠংচি, ইমৰাণ হুছেইন, উদয়াদিত্য ভৰালী, ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, অপূৰ্ব কুমাৰ শইকীয়া, বসন্ত দাস, পৰমানন্দ ৰাজবংশী, কুল শইকীয়া, জয়ন্ত কুমাৰ চক্ৰৱৰ্তী, অতনু ভট্টাচাৰ্য, মৌচুমী কন্দলি, বিতোপন বৰবৰা, বন্তি শেনছোৱা, নৱনীতা গগৈ, পূৰৱী বৰমুদৈ, নীলিমা ঠাকুৰীয়া হক, অৰূপ কুমাৰ নাথ, মনিকা দেৱী, অনামিকা বৰা, প্ৰাৰ্থনা শইকীয়া, সুৰেশ চক্ৰৱৰ্তী, ৰূপম বৰুৱা, মাইনী মহন্ত, মিনাক্ষী বুঢ়াগোহাঁই, চন্দনা পাঠক, লীনা শৰ্মা, ৰবীন মজুমদাৰ, মনালিছা শইকীয়া, ভাস্কৰ ঠাকুৰীয়া, অপু ভৰদ্বাজ, সিদ্ধাৰ্থ শংকৰ বেজবৰুৱা, ৰত্না ভৰালী তালুকদাৰ, ৰশ্মিৰেখা বৰা ৰাজশ্ৰী ধনদিয়া, কাব্যশ্ৰী মহন্ত আদি উল্লেখযোগ্য। লেখক আৰু সাহিত্যৰ মাজৰ সম্পৰ্কটোৰ ওপৰত সাম্প্ৰতিক কালৰ লেখকৰ দৃষ্টিভংগী পূৰ্বতকৈ বেলেগ হৈ আহিছে। 'Outside the whale' নামৰ এটা লেখাত চলমান ৰুশ্বডিয়ে কৈছে যে আধুনিক লেখকে সাহিত্য সৃষ্টিৰ পৃথিৱী এখনত নিজকে আছুতীয়াকৈ সুৰক্ষিত কৰি ৰাখি বাস্তৱ পৃথিৱীখনক নিৰাপদ দূৰত্বৰ পৰা নিৰীক্ষণ কৰি সাহিত্য ৰচনা কৰাৰ দিন আৰু নাই। এতিয়া লেখক নিজৰ সীমাবদ্ধতা সম্পৰ্কে সচেতন আৰু সাহিত্য সৃষ্টিৰ গজদন্ত মিনাৰত অকলশৰীয়াকৈ নিবিষ্ট নাথাকি তেওঁলোকে পটুৱৈকো সৃষ্টিকৰ্মৰ অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা কৰে। কেৱল প্লট, চৰিত্ৰ, সামাজিক ৰাজনৈতিক সমালোচনাৰ সৰলৰৈখিক উপস্থাপন আদি

(ছয় পৃষ্ঠাত চাওক)

# বিশ্বখ্যাত শিক্ষাবিদ মৌলানা ইছলামুদ্দিনৰ সপোনৰ ৰঙিয়া আৰবী কলেজৰ ভবিষ্যত

ফখৰুদ্দিন আহমেদ



অসমৰ প্ৰথম আৰবী কলেজ খনি অবিভক্ত কামৰূপ জিলাৰ ৰঙিয়াত অৱস্থিত। এই কলেজ খনি ইং ১৯৫৫ চনৰ পহিলা জানুৱাৰী তাৰিখে প্ৰতিষ্ঠা কৰা হৈছিল। অসমৰ এই প্ৰথম আৰবী কলেজ খনিৰ প্ৰতিষ্ঠাৰ সপোন দেখা ব্যক্তি গৰাকী আছিল দৰং জিলাৰ ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত সানোৱা গাঁৱৰ সু-সন্তান, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বৰেণ্য শিক্ষাবিদ মৌলানা ইছলামুদ্দিন চাহেব। এই সপোনৰ গৰ্জালি মেলিছিল আফ্ৰিকা মহাদেশৰ অন্তৰ্গত ইজিপ্ত দেশৰ ৰাজধানী কাইৰো চহৰত অৱস্থিত, আন্তঃৰাষ্ট্ৰীয় বিশ্ববিদ্যালয় সমূহৰ অন্যতম "আল্ আজহাৰ বিশ্ববিদ্যালয়" ত তেখেতে অধ্যয়ন কৰিবলৈ যাওঁতে বিশ্বখ্যাত নীল নদীৰ পাৰত ভ্ৰমন ৰত অৱস্থাত। মৌলানা ইছলামুদ্দিন চাহেবে কলকাতাৰ আলিয়া বিশ্ববিদ্যালয়ৰ পৰা "মুমতাজুল মুহাদ্দিছিন" (এম. এম) অৰ্হতা লাভ কৰাৰ পিছত ইং ১৯৫০ চনত ভাৰত চৰকাৰ আৰু ইজিপ্ত চৰকাৰৰ মাজত হোৱা শৈক্ষিক চুক্তি মৰ্মে চৰকাৰী বৃত্তি লাভ কৰি উক্ত বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ সুযোগ লাভ কৰিছিল। স্বাভাবিক ভাবেই অসামান্য মেধা শক্তিৰ অধিকাৰী মৌলানা ইছলামুদ্দিন চাহেবে ইং ১৯৫২ চনত উক্ত বিশ্ববিদ্যালয়ৰ পৰা ইছলাম ধৰ্ম তত্ব সম্পৰ্কত স্নাতকোত্তৰ (এম. টি.এইচ্) অৰ্হতা লাভ কৰি কাইৰো চহৰতেই অৱস্থিত "আমেৰিকা বিশ্ববিদ্যালয়" ত ইংৰাজী সাহিত্য বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তি কৰে। ইং ১৯৫৪ চনত উক্ত পাঠ্যক্ৰমৰ অৰ্হতাও তেখেতে কৃতিত্ব সহকাৰে অৰ্জন কৰিবলৈ সক্ষম হয়। এই অৰ্হতাৰ লাভৰ ক্ষেত্ৰত মৌলানা ইছলামুদ্দিন চাহেবে বিশ্ববিদ্যালয় খনিত দাখিল কৰা গবেষণা গ্ৰন্থ খনিৰ বিষয় বস্তু আছিল "ভাৰত উপমহাদেশত ইছলাম ধৰ্মৰ প্ৰবেশ আৰু বিস্তাৰ"। ইংৰাজী ভাষাত লিখা এই গবেষণা গ্ৰন্থখনিত অন্তৰ্ভুক্ত বিষয়বস্তু সাতটা খণ্ডত বিভক্ত কৰিছিল এনেদৰে-

১) আৰৱ বিজেতা সকলৰ জৰিয়তে ভাৰতত ইছলামৰ প্ৰতিষ্ঠা।

২) ইছলামী ৰাজ্য সমূহ প্ৰতিষ্ঠা আৰু মুছলিম শাসক সকলৰ উদ্যোগত ইয়াৰ প্ৰগতি।

৩) মুছলিম বণিক, ছুফী সাধক আৰু ধৰ্ম প্ৰচাৰক সকলৰ জৰিয়তে ইছলামৰ বিস্তৃতি আৰু প্ৰসাৰ।

৪) বিভিন্ন সংগঠন আৰু অনুষ্ঠান সমূহৰ মাধ্যমত ভাৰতত ইছলামৰ অগ্ৰগতি তথা বিকাশ।

৫) ঐতিহাসিক ৰূপৰেখা তথা চমু বিৱৰণ।

৬) প্ৰদেশ সমূহৰ ওপৰত এটি সাধাৰণ টোকা আৰু

৭)গ্ৰন্থপঞ্জী।

এই গৱেষণা গ্ৰন্থখনি তেখেতৰ জীৱন কীৰ্তি স্তম্ভ স্বৰূপ।

বিশ্বখ্যাত আল্ আজহাৰ বিশ্ববিদ্যালয়ৰ ধৰ্ম তাত্বিক জ্ঞান আৰু আমেৰিকা বিশ্ববিদ্যালয়ৰ আধুনিক শিক্ষাগত জ্ঞানৰ সমন্বয়ত মোলানা ইছলামুদ্দিন চাহেবৰ অন্তৰাত্মাত গঢ়ি উঠা জ্ঞান সাগৰৰ অমৃত সমান আছিল "ৰঙিয়া আৰবী কলেজ"। এই শিক্ষানুষ্ঠান খনিলৈ অবদান আগবঢ়োৱা অসমৰ বৰেণ্য ৰাজনীতিক সকল আছিল অসমৰ ভূতপূৰ্ব বিত্ত মন্ত্ৰী তথা ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদ আৰু অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী, দোমোজাৰ কবি ৰূপে খ্যাত দেৱকান্ত বৰুৱাৰ দৰে ব্যক্তিত্ব। পুৰণি কালৰ পৰা কলকাতাৰ আলিয়া বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ আৰ্হিত অসমৰ চিনিয়ৰ মাদ্ৰাছা আৰু হাই মাদ্ৰাছাবোৰত প্ৰচলিত ধৰ্মীয় শিক্ষাৰ সৈতে আধুনিক শিক্ষাৰ অন্তৰ্গত মাতৃভাষা, অংক শাস্ত্ৰ, ইংৰাজী, বিজ্ঞান, সমাজ বিজ্ঞান, অৰ্থনীতি আদি সকলো বিষয় সন্নিবিষ্ট কৰি মৌলানা ইছলামুদ্দিন চাহেবৰ নেতৃত্বত ৰঙিয়া আৰবী কলেজৰ লগতে সমূহ চিনিয়ৰ মাদ্ৰাছা আৰু হাই মাদ্ৰাছাৰ পুৰণি পাঠ্যক্ৰম সলনি কৰি নতুন পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰে এটি নতুন যুগৰ সূচনা কৰিছিল। ইং ১৯৫৫ চনৰ পৰা সাম্প্ৰতিক সময়লৈ হীৰক জয়ন্তীৰ পৰিক্ৰমা অতীত কৰা এই ৰঙিয়া আৰবী কলেজৰ সফলতাৰ খতিয়ানত অসমত বহুতো শিক্ষাবিদ, বুদ্ধজীৱি, শিক্ষক আদিৰ নাম অন্তৰ্ভুক্ত হৈ আছে। এই শিক্ষানুষ্ঠান খনিৰ প্ৰতিষ্ঠা আৰু সফলতাৰ সংগ্ৰাম খনিত সন্মানীয় ৰঙিয়াবাসীৰ সৈতে প্ৰধানকৈ মৌলানা ইছলামুদ্দিন চাহেবৰ ত্যাগ আৰু অক্লান্ত পৰিশ্ৰম বিজৰিত হৈ আছে। এই শিক্ষানুষ্ঠান খনিত ভাৰতৰ বিভিন্ন ৰাজ্যৰ স্বনামধন্য শিক্ষাবিদ সকলে অধ্যাপনা কৰি অসমত ইছলাম ধৰ্মীয় শিক্ষাৰ লগত আধুনিক শিক্ষাৰ এটি সোনালী যুগৰ সূচনা কৰি থৈ গৈছে। সাম্প্ৰতিক সময়ত ৰঙিয়া আৰবী কলেজ খনি কেৱল এখনি অনন্য শিক্ষানুষ্ঠানেই নহয়, এয়া এক সমন্বয় আৰু সম্প্ৰীতিৰ অন্যতম উৎসলৈয়ো পৰিৱৰ্তিত হৈছে। সাম্প্ৰতিক সময়ত অসমত শাসনত থকা ভৰতীয় জনতা পাৰ্টীৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে চৰকাৰী খণ্ডত "মাদ্ৰাছা" শিক্ষা বন্ধ কৰিবলৈ লোৱা আৰু ইতিমধ্যে কাৰ্যকৰী কৰা সিদ্ধান্তৰ ফলত উক্ত ঐতিহ্যমণ্ডিত ৰঙিয়া আৰবী কলেজখনৰ বিপদ ঘন্টা বাজিছে।

(ছয় পৃষ্ঠাত চাওক)

# লাচিত বৰফুকনৰ ৪০০ তম জন্ম

স্মৰণ কৰাত সুযোগ প্ৰদান কৰে। ইয়াৰ পূৰ্বে ভাষণ আৰম্ভ কৰি ৰাষ্ট্ৰপতি কোৱিন্দে অসমৰ ৰাইজৰ আদৰণীয় আপ্যায়নক লৈ প্ৰশংসাত পঞ্চমুখ হৈ পৰে। ভাষণৰ আৰম্ভণিতে ৰাষ্ট্ৰপতিগৰাকীয়ে অসমৰ ৰাইজৰ আপ্যায়নে হৃদয় জয় কৰা বুলি মন্তব্য কৰে। সমগ্ৰ দেশে অসমৰ অতিথি আপ্যায়নৰ কথা শিকিব লগা আছে বুলি উল্লেখ কৰি তেওঁ কয়- গুৱাহাটী আহি পোৱাৰ পাছতে অসমবাসী ৰাইজে মোক যিদৰে আদৰণি জনালে, মোৰ হৃদয় চুই গৈছে। অসমৰ এনে স্নেহ সদায়ে মোৰ হৃদয়ত থাকি যাব। অতিথি আপ্যায়নৰ পৰম্পৰা আমাৰ সকলোৰে আছে। কিন্তু আপোনজনক আদৰাৰ যি পৰম্পৰা, সেয়া দেশবাসীয়ে অসমৰ পৰা শিকিব লগা আছে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ গীতৰ কলি আওৰাই অসমৰ ভূমিৰ উৰ্বৰতাৰ কথাও উল্লেখ কৰে। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীক অসমলৈ আদৰণি জনাই অনুষ্ঠানত ভাষণ প্ৰদান কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ ভাষণত কয়- আলাবৈ ৰণ আৰু শৰাইঘাটৰ ৰণ আছিল মধ্যযুগৰ অসমৰ ইতিহাসত দুটা উজ্জ্বলতম ঘটনা। আলাবৈ আছিল অসমীয়াসকলৰ দেশপ্ৰেমৰ উজ্জ্বলতম নিদৰ্শন। আনহাতে শৰাইঘাটৰ ৰণ আছিল অসমৰ শৌৰ্য-বীৰ্য আৰু বীৰত্বৰ অম্লান কাহিনী। শৰাইঘাটৰ ৰণ বিশ্বৰ ইতিহাসৰে উল্লেখযোগ্য ঘটনা। ১৬৭১ চনত হোৱা শৰাইঘাটৰ যুদ্ধই কেৱল মাত্ৰ অসমৰেই যে সাৰ্বভৌমত্ব ৰক্ষা কৰিছিল তেনে নহয়। সমগ্ৰ দাক্ষণ-পূৰ্ব এছিয়া মোগলৰ আগ্ৰাসী শক্তিৰ কবলৰ পৰা ৰক্ষা কৰিছিল। এই বিজয়ৰ মূল নায়ক আছিল সেনাপতি লাচিত বৰফুকন। এইগৰাকী মহান বীৰ যোদ্ধাক কৃতজ্ঞ অসমীয়া জাতিয়ে আকৌ এবাৰ স্মৰণ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই পুনৰ কয়- বিশ্বৰ ইতিহাসৰ শৰাইঘাটৰ ৰণৰ সেই উল্লেখযোগ্য ঘটনাটো আমি আকৌ এবাৰ স্মৰণ কৰিব বিচাৰিছোঁ। আহোম সেনাৰ পৰাক্ৰমে মোগল সেনাক দক্ষিণ-পূব এছিয়ালৈ আগবাঢ়ি অহাত এক বৃহৎ প্ৰাচীৰ ৰূপে থিয় দিছিল। মোগলৰ বিৰুদ্ধে যিসকল হিন্দু মহাবীৰে যুঁজ দিছিল, সেইসকলৰ ভিতৰত লাচিত বৰফুকন আছিল একক আৰু অন্যতম। মুখ্যমন্ত্ৰী ড° শৰ্মাই শৰাইঘাটৰ যুদ্ধত বীৰ লাচিতৰ পৰাক্ৰম আৰু আলাবৈ ৰণৰ বিভিন্ন দিশ তেওঁৰ ভাষণ প্ৰসংগত উল্লেখ কৰে। আজিৰ এই অনুষ্ঠানতে ৰাষ্ট্ৰপতি কোবিন্দে কামৰূপ জিলাৰ পছৰীয়াত স্থাপন হ'বলগীয়া আলাবৈ যুদ্ধৰ স্মাৰক আৰু যোৰহাট জিলাৰ টীয়কৰ নিকটৱৰ্তী হোলোঙাপাৰস্থিত মহাবীৰ লাচিত বৰফুকনৰ মৈদামৰ সৌন্দৰ্যবৰ্ধন আৰু মেৰামতি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত ৰাজ্যপাল জগদীশ মুখীয়ে ভাষণ প্ৰদান কৰি লাচিত বৰফুকনৰ বৰ্ণিল জীৱনগাথা আৰু বীৰত্বৰ কথা আলোকপাত কৰাৰ লগতে বীৰগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, ৰঞ্জিত কুমাৰ দাস, ইউ জি ব্ৰহ্মৰ লগতে মন্ত্ৰীসভাৰ কেইবাগৰাকীও সদস্য উপস্থিত আছিল।




# "ফাগুন"

হিমাদ্ৰী বৰকটকী, নগাঁও



ফাগুনৰ বলিয়া বা
পলাশে দিলে ফাগুনি অহাৰ বতৰা
কাচিয়লি ৰ'দৰে পোহৰতে
আউলী বাউলী হ'ল চুলিটাৰি
বাৰে বাৰে উৰে গাৰ কাপোৰখন
উঠা নমা কৰে উঠন বুকুখন
সিৰে সিৰে ৰন্ধে ৰন্ধে
বৈ যায় উশাহৰ চঞ্চলতা
প্ৰেমময় হৃদয়ত সিঁচি থৈ যায়
কিছু মিঠা মিঠা আশাৰ বতৰা
উস! কি যে মাদকতা......
দেহ মন চুই যোৱা
উৰি যায় দেহ মন অজান মুলুকলৈ
দুচকুত ভাঁহিছিল ফাগুনৰ ৰং
বুজাব নোৱাৰা এক অবুজ শিহৰন
বাৰে বাৰে কানত বাজি উঠে
পৰাশৰে ৰং কোনেনো সানিলে
এই মিঠা সেউজ বননিত......

# বিশ্বখ্যাত শিক্ষাবিদ

ইতিমধ্যে চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশ মৰ্মে ৰঙিয়া আৰবী কলেজৰ নাম "ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়-ৰ" হিচাপে নতুনকৈ নামাকৰণ কৰা হৈছে। কিন্তু শিক্ষানুষ্ঠানখনিক উচ্চতৰ মাধ্যমিক হিচাপে মূল্যায়ণ কৰা হ'ল যদিও পৰ্যাপ্ত স্নাতকোত্তৰ শিক্ষক সাম্প্ৰতিক সময়লৈ চৰকাৰে নিয়োগ নকৰাৰ ফলস্বৰূপে এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান খনি বিভাগীয় নীতি নিয়ম মতে ওচৰৰ আন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সৈতে চামিল কৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। সাংবিধানিক ভাবে ধৰ্ম নিৰপেক্ষ দেশ ভাৰতত আধুনিক শিক্ষাৰ লগতে সকলো ধৰ্মৰে চৰকাৰী ভাবে শিক্ষা প্ৰদান কৰা কাৰ্য বৈধ যদিও এই ক্ষেত্ৰত অসম চৰকাৰে লোৱা নেতিবাচক পদক্ষেপে অসমৰ শিক্ষা জগতত কি দৰে প্ৰভাব পেলাব সেয়া যথা সময়ত নিশ্চয়কৈ উন্মোচিত হ'ব।

স্মৰণযোগ্য যে মৌলানা ইছলামুদ্দিন চাহেবে ইজিপ্তৰ কাইৰো চহৰৰ পৰা নিজৰ মাতৃভূমি অসমলৈ প্ৰত্যাবৰ্তন কৰাৰ পিছতো আৰব মহাদেশ তথা ভাৰত চৰকাৰৰ পৰা চৰকাৰী আড়ম্বৰপূৰ্ণ আৰু উচ্চহাৰত দৰমহা পোৱা চাকৰি কৰিব পাৰিলেহেতেন। তেনে সুবিধাক তেখেতে পৰিত্যাগ কৰি ৰঙিয়া আৰবী কলেজক পূৰ্ণতা প্ৰদান কৰা কাৰ্যক জীৱনৰ ব্ৰত হিচাপে হিচাপে গ্ৰহণ কৰিছিল। এই মহান মৌলানা ইছলামুদ্দিন চাহেবে ইং ১৯৮৮ চনৰ ২৭ জানুৱাৰী তাৰিখে৫৮ বছৰ বয়সত মৃত্যু বৰণ কৰিছিল।

মৌলানা ইছলামুদ্দিন চাহেবৰ দৰে এগৰাকী বিশ্বখ্যাত আৰু বৰেণ্য শিক্ষাবিদৰ ত্যাগ আৰু কঠোৰ পৰিশ্ৰমে পূৰ্ণ ভাবে সাকাৰ ৰূপ দিয়া এটি সপোন সদৃশ ৰঙিয়া আৰবী কলেজ খনি কেৱল এটি চৰকাৰী সিদ্ধান্তত বুমেৰাং দিশত গতি কৰিব সেয়া অসমৰ শিক্ষা জগতৰ বাবে লগতে সমগ্ৰ ৰঙিয়াবাসীৰ বাবে দুখৰ বতৰা হিচাপে চিহ্নিত হৈ থাকিব। সাম্প্ৰতিক সময়ৰ একান্ত আহ্বান হ'ল অসমবাসীয়ে মৌলানা ইছলামুদ্দিন চাহেবক অমৰ কৰি ৰাখিব লাগিব।অসম চৰকাৰেও এই ক্ষেত্ৰত দৃঢ় পদক্ষেপ গ্ৰহণ কৰি উক্ত বৰেণ্য শিক্ষাবিদ গৰাকীক অসমৰ শৈক্ষিক জগতত চিৰদিন জীয়াই ৰখাৰ ব্যৱস্থা ল'ব পাৰে। বিশেষকৈ ৰঙিয়া আৰবী কলেজ খনিক পৰিৱৰ্তন কৰি ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়-ৰ হিচাপে কৰা নামাকৰণটি "মৌলানা ইছলামুদ্দিন উচ্চতৰ মাধ্যমিক বিদ্যালয়" হিচাপে পুনৰ নামকৰণৰ ব্যৱস্থা কৰিলে এই মহৎ কাৰ্যটি সমাধান হ'ব।এই ক্ষেত্ৰত সমূহ অসমবাসীৰ দয়িত্ব আৰু কৰ্তব্য নিশ্চয়কৈ অপৰিসীম হৈ থাকিব।

# ফেব্ৰুৱাৰী মাহটো

মঞ্জুষা শৰ্মা, তিতাবৰ




বছৰৰ দ্বিতীয়টো মাহৰ নামেই হ'ল ফেব্ৰুৱাৰী মাহ। এই নামটোৰ ওপৰত বহুত ধৰণৰ মত থকা দেখা পোৱা যায়।

১)ইংৰাজীত এই মাহক ছোলমোনাথ (কাদাৰ মাহ) বা কেলমোনাথ (বাধা নিষেধ মাহ) বোলা হৈছিল।

২) ফিনিছ ভাষাত এই মাহক হেলমিকু বা মুক্তাৰ মাহ বোলা হয়। শীতৰ দেশত এই মাহত বৰফ গলি পাতত বিন্দু বিন্দু নিয়ৰ সৰে। ৰাতি এই নিয়ৰবোৰ ঠাণ্ডাত গোট মাৰি মুক্তাৰ দৰে হয় বাবে এই নাম হয়।

৩) পলিছ ভাষাত এই মাহৰ নাম লোটি বা বৰফৰ মাহ।

৪) মেকডুনিয়াত ফেব্ৰুৱাৰীক ছেচকো বা কাঠ কটাৰ মাহ বোলে।

৫)ক্ৰোয়েছিয়াত এই মাহক ভেলজাকা বোলে। প্ৰতি ৪বছৰৰ অন্তত এই মাহত দিনৰ সংখ্যা এক বাঢ়ে বাবে

( বাৰ পৃষ্ঠাত চাওক)

# একবিংশ শতিকাৰ দুটা

উপাদান থাকিলেই গল্পই আজিৰ পঢ়ুৱৈক সন্তুষ্ট কৰিব নোৱাৰে। অপূৰ্ব কুমাৰ শইকীয়াৰ "এটা আধুনিক বুঢ়ী আইৰ সাধু" নামৰ গল্পটোত আমি দেখিবলৈ পাওঁ কেনেকৈ আখ্যান-লোককথাৰ সত্যৰ সৈতে আধুনিক জীৱনশৈলীৰ উপৰিপাতন ঘটিছে যদিও প্ৰথমটোৰ সত্যক দ্বিতীয়টোৱে প্ৰশ্ন কৰা নাই। আধুনিক সাহিত্যত সাধুকথা-আখ্যান ইত্যাদিবোৰ হৈছে কিছুমান সাৰ্বিক আৰু চিৰন্তন সত্যৰ ৰূপক। অপূৰ্ব শইকীয়াৰ গল্পটোত ৰূপ সলনি কৰাৰ খেলাটোক এটা কথকতা হিচাপে গ্ৰহণ কৰি তাৰ ওপৰত লিংগ পৰিৱৰ্তনৰ আন এক কথকতা গল্পকাৰে নিৰ্মাণ কৰি পঢ়ুৱৈক নতুন শৈলীৰ গল্প পঠনৰ আমেজ দিবলৈ সক্ষম হৈছে। মৌচুমী কন্দলীৰ গল্পত ভাবানুবাদৰ বেগী আৰু জটিল সংযুক্তি দেখিবলৈ পোৱা যায়। "শেতেলীৰ সুদীৰ্ঘ মালিতা" নামৰ এটা গল্পত তেওঁৰ এটা সৰল অথচ কোনেও ব্যৱহাৰ নকৰা এটা চিত্ৰকল্প প্ৰথা বিৰুদ্ধ ৰাজনৈতিক চিন্তাৰ দ্যোতক হিচাপে সজাই তুলিছে--- এখন বিমূৰ্ত বিছনাৰ সীমাহীন সমতলত দেশ-জাতি-ভাষা-লিংগ নিৰ্বিশেষে সকলোৱে আশ্ৰয় লৈছে আৰু 'ক'লা ঘাতক ম'হ'ৰূপী সংকীৰ্ণ ভাৱবোৰক আঁতৰাই ৰাখিবলৈ এখন দেহাতীত 'বোধৰ' শুধ বগা আঁঠুৰাই বিছনাখনক আৱৰি আছে। একৈশ শতিকাৰ গল্পক কুৰি শতিকাৰ গল্পৰ পৰা যিবিলাক কাৰকৰ উপস্থিতিৰ পৰিপ্ৰেক্ষিতত পৃথক বুলি ক'ব পাৰি, তাৰ অন্যতম এটা কাৰণ হৈছে গল্পৰ কথকতাই নিজৰ নিৰ্মিতি সম্পৰ্কে আগবঢ়োৱা দ্বিধাহীন স্বীকাৰোক্তি। গল্পৰ লেখকে ক'ব খোজে যে তেওঁ মাত্ৰ এটা সাহিত্য পাঠ নিৰ্মাণ কৰিছে, সত্য অসত্যৰ প্ৰশ্ন ইয়াত অবান্তৰ। ৰশ্মিৰেখা বৰাৰ "কাহিনী এটাৰ গল্প অথবা কাহিনীকাৰৰ", অপূৰ্ব কুমাৰ শইকীয়াৰ "জুমুঠি", ধ্ৰুৱজ্যোতি শৰ্মাৰ "ঐন্দ্ৰজালিক"ইত্যাদি গল্পত গল্পসত্য নিৰ্মাণৰ আখৰা বিষয়বস্তুৰ ৰূপত উপস্থাপিত হৈছে। আনহাতে উত্তৰাধুনিক সাহিত্য সম্পৰ্কীয় কিছুমান তত্ব আৰু ভাষ্যৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিও গল্প সৃষ্টি হৈছে। অপূৰ্ব কুমাৰ শইকীয়াৰ "জুমুঠি" নামৰ গল্পটোৰ গল্পকাৰ চৰিত্ৰটোৱে ঠিক একেদৰে কাহিনী কথকৰ অৱস্থানৰ প্ৰশ্নটো লৈ আত্মবিশ্লেষণ কৰি দেখিছে যে গল্প লিখনৰ কামটো কিজানি তেওঁৰ বাবে এক সুৰক্ষা কৱচহে। গল্পটোৱে অৱশ্যে কাহিনীকথনৰ দ্বিধাগ্ৰস্ততা আৰু সংশয়ৰ মনোভাৱ প্ৰকাশ কৰোঁতে আধুনিক অৱস্থানটোৰ পৰা ফালৰি কাটি অহা নাই। কাৰণ গল্প-সত্যক বাস্তৱ সত্যৰ সৈতে সংযুক্ত কৰাৰ প্ৰসংগটোহে ইয়াত মূল বিষয় হৈ পৰিছে। অন্য এগৰাকী গল্পকাৰ বন্তি শেনছোৱাৰ গল্পৰ বিশিষ্টতাৰ আধাৰ হৈছে প্ৰকাশভঙ্গী অভিনৱত্ব। চহা ভাষা আৰু অভিজাত ভাষাৰ সুদক্ষ ব্যৱহাৰেৰে তেওঁৰ গল্পৰ ভিন ভিন পৰিৱেশ ৰচনা কৰিব পাৰে। একবিংশ শতিকাৰ প্ৰতিভাৱান গল্পকাৰ সকলৰ ভিতৰত অন্যতম অপু ভৰদ্বাজ। "চিকাডা" নামৰ গল্পটোৰ সম্পূৰ্ণ অগতানুগতিক বিষয়বস্তু আৰু প্ৰকাশভঙ্গীৰ মাজত আমি ভৰদ্বাজৰ গল্পৰ প্ৰথাবিৰুদ্ধ জীৱনাদৰ্শৰ উমান পাব পাৰোঁ। একবিংশ শতিকাৰ অসমীয়া চুটিগল্পত সামাজিক বাস্তৱতাৰ ছবিখন নোহোৱা হৈ গৈছে বুলি অৱশ্যে ক'ব নোৱাৰি। এচাম গল্পকাৰে গতানুগতিক ধাৰাতে সমাজ জীৱনৰ গল্প পাঠ ৰচনা কৰি আছে, অন্য এচামে উপাখ্যান-আখ্যান-লোকগাথাৰ অখ্যাত চৰিত্ৰবোৰকে পুনৰ্নিৰ্মাণৰ নামত গল্পৰ মূল চৰিত্ৰৰ আসনত বহুৱাই বিদ্ৰোহৰ ভাব-ভাষা চৰিত্ৰবোৰত আৰোপ কৰিছে। এইক্ষেত্ৰত ৰশ্মিৰেখা বৰাৰ "মইনামতীৰ সঁচা(সাধু) কথা" এক ব্যতিক্ৰম। লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ত থকা সকলোৰে চিনাকি "চম্পাৱতীৰ সাধু"ত নেপথ্যত ৰৈ যোৱা মাহী আইৰ আদৰুৱা জীয়ৰী হৈছে এই গল্পৰ 'মইনামতী'। লোকগাথাৰ প্ৰান্তত অনামী হৈ পৰি থকা মইনামতীয়ে সাপৰ পেটত সোমাই বাকৰুদ্ধ হৈ পৰা নাই, তাই তাৰে পৰা সৰ্বহাৰাৰ শোষক সাপটোৰ পেট ফালি ওলাই আহি মূক জনতাৰ হকে যুঁজ দিয়াৰ শপত লৈছে। ঠিক যিদৰে মহাশ্বেতা দেৱীৰ 'দ্ৰৌপদী' নামৰ গল্পটোত মহাভাৰতৰ দ্ৰৌপদী চৰিত্ৰটো দ্ৰৌপদী হৈ নাথাকিল, কিন্তু আমুল ৰূপান্তৰ ঘটা চৰিত্ৰটো যেন বহুত শক্তিশালী হৈহে উঠিল-ঠিক তেনেদৰে। মনালিছা শইকীয়াৰ "পুনৰ জনম লয় তেজীমলাই", মণিকা দেৱীৰ "চিলনীৰ জীয়েকৰ সাধু" তেনে ধৰণৰ গল্প। একবিংশ শতিকাৰ অসমীয়া চুটিগল্পৰ পথাৰত আন এগৰাকী সবল গল্পকাৰ হৈছে অনামিকা বৰা। অনামিকা বৰাৰ গল্পই পঢ়ুৱৈক হুঁহৰাই হুঁহৰাই অৱশেষত কঠিন বাস্তৱৰ সৈতে মুখামুখি হ'বলৈ বাধ্য কৰোৱায়। যাদুকৰী কথনশৈলীৰে পঢ়ুৱৈক মোহিত কৰি আহিছে একবিংশ শতিকাৰ আন এজন গল্পকাৰ ভাস্কৰ ঠাকুৰীয়াই। ঠাকুৰীয়াই তেখেতৰ "পৰশুৰাম" নামৰ গল্পত পৰশুৰামৰ মাতৃহত্যাৰ গ্লানিৰ ফলত হাতত কুঠাৰ লাগি ধৰা উপাখ্যানটোক এটা আধুনিক ৰূপক হিচাপে নিৰ্মাণ কৰিছে। সিদ্ধাৰ্থ শংকৰ বেজবৰুৱাৰ গল্প কথনৰ ভংগীত নতুনত্ব আছে। তেখেতৰ "বেদৰ্দী মালিতা" নামৰ গল্পত গল্পকাৰে গতানুগতিক কথনৰীতি এৰাই চলিছে আৰু গল্পটোৰ বিভিন্ন অনুচ্ছেদৰ সংযোজন, বিয়োজন আৰু নামাকৰণৰ মাধ্যমেদি তেওঁ এটা স্পষ্ট ব্যক্তব্যও দাঙি ধৰিছে। 'ক' আৰু 'খ' ভাগে নিম্ন শ্ৰেণী আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিনিধি দুটা চৰিত্ৰৰ তেনেই গতানুগতিক প্ৰাত্যহিক জীৱন বৰ্ণনা কৰাৰ বিপৰীতে 'গ' ভাগে সন্ত্ৰাসবাদী কামত জড়িত এজন ডেকা ল'ৰাৰ অগতানুগতিক জীৱনৰ কিছু ডুখৰীয়া ছবি দাঙি ধৰিছে। ৰত্না ভৰালী তালুকদাৰৰ কথনশৈলীৰ এটা নিজস্ব ভংগীমা আছে আৰু বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰতো তেওঁ সচৰাচৰ চকুত নপৰা প্ৰান্তীয় কথাবোৰৰ প্ৰতি পঢ়ুৱৈৰ মনোযোগ আকৰ্ষণ কৰিব খোজে। লিংগ বৈষমক কেন্দ্ৰ কৰি যোৱা শতিকাত যিমানবোৰ গল্প ৰচনা হৈছে একবিংশ শতিকাত তাৰ বিপৰীতে আমি দেখিবলৈ পাইছোঁ যে বহুতো গল্প লেখিকাই নাৰীৰ প্ৰতি পুৰুষপ্ৰধান সমাজত বৈষম্যমূলক আচৰণক 'নাৰী বনাম পুৰুষ' জাতীয় বিদ্বেষমূলক গাঁথনি হিচাপে নাচাই পৰিচয়ৰ তৰলতা আৰু অ-মৌলিকতাৰ ওপৰতো দৃষ্টিপাত কৰিছে। মৌচুমী কন্দলীৰ "তৃতীয়ত্বৰ গল্প" এই দিশত এটা বলিষ্ঠ সৃষ্টি। একবিংশ শতিকাৰ প্ৰথমতকৈও দ্বিতীয় দশকত চুটিগল্পৰ ধাৰা এনেদৰে সলনি হৈছে যে গল্পই নাটক, কবিতা, মননশীল গদ্য, বৌদ্ধিক আলোচনা আদি ভাষানিৰ্ভৰ অন্যান্য সাহিত্যৰূপ অনায়াসে ব্যৱহাৰ কৰাৰ উপৰি চিত্ৰকলা, চিনেমাৰ শ্বট ইত্যাদি অন্যান্য প্ৰকাশভংগীকো পৰীক্ষামূলক ভাৱে ব্যৱহাৰ কৰি গল্পক নিৰ্মাণশৈলীৰ এক অভূতপূৰ্ব অগতানুগতিক মাত্ৰা প্ৰদান কৰিছে।



জনতাৰ চৰকাৰ
my GOV মেৰী সৰকাৰ
ৰাজহুৱা স্থানত পিক পেলোৱা অথবা
দেৱালত প্ৰচাৰ পত্ৰ লগোৱা এক দণ্ডনীয় অপৰাধ
ৰাজহুৱা সম্পত্তি ৰক্ষাৰ ক্ষেত্ৰত
গুৱাহাটী পৌৰ নিগমৰ গুৰুত্বপূৰ্ণ পদক্ষেপ
শাস্তি
প্ৰথমবাৰৰ বাবে ১,০০০ টকাৰ জৰিমনা
পুনৰাবৃত্তি কৰাসকলৰ বাবে অধিক জৰিমনা
প্ৰয়োজন অনুসৰি পৌৰ নিগম আইন/উপ-আইনৰ অধীনত গোচৰ পঞ্জীয়ন
পৌৰ নিগমৰ অনুমতি অবিহনে প্ৰচাৰ পত্ৰ/বিল লগোৱাসকলৈ
প্ৰচাৰ পত্ৰ আঁতৰোৱাৰ বাবে ১৫ দিনৰ সময়, অন্যথা আইনী ব্যৱস্থা
তথ্যৰ সত্যতা
নিৰূপণৰ ভিত্তিত
এনে ফটো প্ৰেৰকলৈ
১,০০০
টকাৰ নগদ পুৰস্কাৰ
নাগৰিকসকলে তলৰ ৱাটছএপ নম্বৰযোগে উপযুক্ত প্ৰমাণসহ
আইন উলংঘনকাৰীসকলৰ ফটো শ্বেয়াৰ কৰিব পাৰে
৮৮১১০ ০৭০০০/৭৩৯৯০ ০৩০০১/৭৩৯৯০ ০৩০০২/৭৩৯৯০ ০৩০০৪
পঞ্জীয়ন কৰক
assam.mygov.in
/mygovassam
JANASANYOG- 3653/21
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us /@diprassam
https://dipr.assam.gov.in/

# মমৰ মূৰ্ত্তি

পুলিন ডেকা



ভৱেন দুৱৰাই বিস্ময়াভূতভাবে চাই ৰ'ল উদ্দীপ্তৰ ফালে। খন্তেক আগতে উদ্দীপ্তই কোৱা কথাষাৰ অৰ্থ বিচাৰি একপ্ৰকাৰ অসহায় হৈ পৰিছে দুৱৰা। দুৱাৰ ফোন কৰিছে উদ্দীপ্তক। কিন্তু সঁহাৰি নাপালে। অতি জৰুৰী কাম। কাম নিজৰ নহয়, উদ্দীপ্তৰ। সেইবাবে পোনে পোনে উদ্দীপ্তৰ ঘৰত সোমালে দুৱৰাই। প্ৰায় আধা ঘন্টা পিছত সি ঘৰত প্ৰৱেশ কৰে আৰু তাৰ পিছত........

উদ্দীপ্তৰ কথাষাৰ বাৰম্বাৰ ক্ৰিয়া কৰিছে দুৱৰাৰ মনত।'মোৰ মোবাইলত কোনোৱাই ফোন কৰি নাপালে মিছকল আহে। আপোনাৰ মিছকল পোৱা নাই।'—কিছু ক্ষোভ মিহলিভাবে কৈ উদ্দীপ্তই দুৱৰাই কাষৰ চোফাখনতেই বহিল। কথাখিনি ইমানেই স্বাভাৱিকভাবে ক'লে যে দুৱৰাৰ মনত এক প্ৰতিক্ৰিয়া হ'ব পাৰে, সেই কথা এটা মুহূৰ্ত্তৰ বাবেও অনুধাৱন কৰাৰ চেষ্টাই নকৰিলে। অথচ আগতে দুৱাৰ তেনেকুৱা ঘটনাই ঘটিছিল। কিন্তু উদ্দীপ্তৰ উত্তৰ আছিল—'হ'ব পাৰে দাদা। আজিকালি নেটৱৰ্কৰ সমস্যা।' কাৰণ আগৰ দুটা দিনত ঘৰত প্ৰৱেশ কৰি মাকৰ সৈতে কথা পতা দেখিছিল। আজি সন্মুখত দেখিছে পৰিমিতাক। এটা ব্যক্তিগত কোম্পানীত কাম কৰে দুৱৰাই। নিজৰ মেধা, অপৰিসীম পৰিশ্ৰমৰে এটা শীৰ্ষ পদত অধিষ্ঠিত হৈছেতেওঁ। কোম্পানীৰ সামাজিক দায়বদ্ধতাৰ কামখিনি চোৱাৰ লগতে বিজ্ঞাপন সম্পৰ্কীয় কামবোৰ কৰে তেওঁ। বিভিন্ন সংবাদ মাধ্যমৰ সৈতে তেওঁৰ এক সুগভীৰ সম্পৰ্ক আছে। সেই সূত্ৰে পৰিমিতাৰ সৈতে দুৱৰাৰ চিনাকী। প্ৰথমে টেলিফোনিক বাৰ্তালাপ আৰু তাৰ পিছত দুদিন প্ৰেছ মিটত লগ পাইছে পৰিমিতাক। এদিন দুৱৰাৰ কোম্পানীত খালী থকা পদৰ বাবে বিজ্ঞাপন প্ৰকাশ পাইছিল। পৰিমিতাই ফোন কৰিছিল। তাৰ পিছত দুৱৰাৰ ওচৰলৈ আহিছিল। যেনে তেনে চাকৰিটোৰ প্ৰয়োজন। বৰ্তমানে যিখিনি দৰমহা পাই আছে, তাৰে ঘৰখন চলাবলৈ অসুবিধা। তাই দুখৰ অসংখ্য কাহিনী কৈ গৈছিল। ঘৰলৈ গ'লেই মাকৰ আছিল এটাই কথা—'বিয়া।' কেতিয়াবা বিয়াৰ কথাক লৈ মাকৰ লগত যুক্তি-তৰ্কত লিপ্ত হৈছিল। পৰিমিতাৰ যুক্তি আছিল --'ছোৱালী মানুহে নিজৰ ভৰিৰ ওপৰত থিয় দিব লাগে।' পৰিমিতাৰ কথাবোৰ শুনি দুৱৰাৰ অনুকম্পা জাগিছিল। এদিন অতি সহজে যোগদান কৰিছিল নতুন কৰ্মক্ষেত্ৰত। বাৰ হাজাৰ টকাৰ পৰা নতুন চাকৰিত ত্ৰিশ হাজাৰ টকা লাভ কৰি তাই আত্মবিভোৰ হৈ পৰিছিল। এদিন হঠাৎ পৰিমিতা দুৱৰাৰ ওচৰলৈ আহিছিল। একেটা কোম্পানীত কাম কৰিলেও পৰিমিতাৰ লগত সঘন যোগাযোগ নাছিল। কঠিন বিষয়বস্তু থাকিলে তেওঁক জনায়। দুৱৰাই ৱাটছআপত মেছেজ কৰি উত্তৰ দি পঠিয়ায়। 'তুমি ইমান চিন্তাক্লিষ্ট যে? কিবা সমস্যা?'- দুৱৰাই এমুখ হাঁহিৰে সুধিছিল। 'অফিচিয়েল নহয়। একান্ত ব্যক্তিগত। পুনৰ একেই সমস্যাত পৰিছো।' 'মানুহৰ জীৱনত সমস্যা আহিব। মই ভাবো জীৱনত এটা বিষয়হে ক্লান্তিবিহীন নহয়, সেয়া হৈছে সমস্যা। সমস্যাৰ বিৰুদ্ধে যুঁজ দি যি আনন্দ পোৱা যায় তাক স'ততে আন ঠাইত বিচাৰি পোৱা নাযায়। কাৰণ সমস্যাই জীয়াই থাকিবলৈ, মস্তিত্বক নতুন চিন্তাৰ পাতনি মেলিবলৈ সুযোগ দিয়ে।' 'আপোনালোক ডাঙৰ মানুহ। আপোনালোকৰ সমস্যাৰ সৈতে যুঁজিবলৈ মানুহ আছে। সৰুৰে পৰা অকলে সমস্যাৰ বিৰুদ্ধে সংগ্ৰাম কৰিছোঁ। বহুদূৰ সফল হৈছোঁ।'

'এইবাৰো তুমি সফল হ'বা।' 'জীৱনৰ ভৱিষ্যত সম্পৰ্কত যিবোৰ অনুভৱ দেখো, তাত মই আতংকিত হৈ পৰোঁ। বিয়াৰ বাবে ল'ৰা এজন চাইছে। মহানগৰীৰ ভাড়ঘৰত এটা প্ৰেছ চলাই আছে। ব্যৱসায়ক লৈ মোৰ ভয় লাগে।' খন্তেক সময় দুৱৰাই থমকি ৰৈছিল। চকুৰ সন্মুখত অহৰহ অহা-যোৱা কৰিছে কল্পনাশায়িত ল'ৰাজন। কাৰণ ল'ৰাজনৰ ব্যৱসায়ৰ বিষয়ে সবিশেষ নজনাকৈ কোৱাটো কঠিন। চাকৰিৰ সফলতাৰ পথবোৰ কঠিন। কঠোৰ পৰিশ্ৰম কৰিলেও নিয়ন-নীতি অনুসৰি প্ৰমোচন হ'ব। কিন্তু ব্যৱসায়, এক বিশাল ক্ষেত্ৰ। মানসিক দৃঢ়তা,

*(ন পৃষ্ঠাত চাওক)*

# ফাগুন


দুলুমণি শইকীয়া
নগাঁও



উদং পথাৰৰ আলিয়েদি
সেন্দুৰৰ ৰং চতিয়াই
ফাগুন আহিছে।
দুষ্ট ফাগুনে খহাই চাদৰৰ আঁচল
ধুলিয়ৰী বাট ৰঙা কৰি
তাঁতশালৰ শিপিনীৰ বুকুত
নিলাজী স্পৰ্শ পছোৱাৰ
পলাশ, শিমলুৱে আনে বসন্তৰ বতৰা
হিৰণময়ী বাসনাত ফাগুন হয়
উতনুৱা
নৈপাৰৰ এজাৰে বেজাৰ সাঁমৰি
উৰি ফুৰে শিমলু তুলা হৈ
বুকুত কঞ্জয়িাই
ভালপোৱাৰ অজুত বাসনা
উন্মাদ বতাহত সৰাপাতে পাতে ফাগুনৰ বহুৰঙী আৱেশ,
মনৰ খিৰিকীত কোবাই
ধূলিয়ৰী ধোৱাৰ সৈতে
সোমাই আহে
নীলা খামৰ চিঠিখন
যোৱা বাৰ ফাগুনে লিখা।

# ৰামানুজনৰ টোকা বহী

বন্দিতা শৰ্মা কন্দলি



কুৰি শতিকাৰ গণিতৰ ইতিহাসৰ এটি অবিস্মৰণীয় নাম শ্ৰী নিবাস ৰামানুজন। মাত্ৰ একুৰি তেৰ বছৰীয়া জীৱনকালতে এই জনা ভাৰতীয় গণিতজ্ঞ ই গণিত জগতত আলোড়নৰ সৃষ্টি কৰি বিশ্বৰ সৰ্বশ্ৰেষ্ঠ গণিতজ্ঞ হিচাপে স্বীকৃতি লাভ কৰে।

১৮৮৭ চনত জন্ম লাভ কৰা ৰামানুজনে ১৯০৪ চনত গৱৰ্ণমেণ্ট কলেজত পঢ়িবলৈ বৃত্তি লাভ কৰিছিল যদিও গণিতৰ বাদে আন বিষয়বোৰ আওকাণ কৰি কেৱল গণিত বিষয়তে মন প্ৰাণ ঢালি দিয়া বাবে তেওঁ পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা নাছিল। তথাপিও তেওঁ গণিতৰ অনুসন্ধান কাৰ্য চলাই গৈছিল। ব্ৰিটিছ গণিতজ্ঞ অধ্যাপক গডফ্ৰে হেৰল্ড হাৰ্ডিৰ আমন্ত্ৰণ আৰু পৰামৰ্শত ১৯১৪ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহত মাদ্ৰাজৰ পৰা তেওঁ কেমব্ৰিজলৈ যাত্ৰা কৰে । ইংলণ্ডত প্ৰায় পাঁচ বছৰ থকাৰ পিছতে তেওঁ যক্ষ্মা ৰোগত আক্ৰান্ত হোৱাত স্বদেশলৈ ঘূৰি আহে আৰু ১৯২০ খ্ৰীষ্টাব্দৰ ২০ এপ্ৰিল তাৰিখে তেওঁ মৃত্যুবৰণ কৰে।

কেমব্ৰিজত থকা কালছোৱাত ৰামানুজনে ২৭ খন অতি উচ্চ খাপৰ গৱেষণা পত্ৰ প্ৰকাশ কৰে। অতি দাৰিদ্ৰ্য আৰু চৰম দুৰ্দশাৰ মাজত থকা ৰামানুজনৰ অংক কৰিবলৈ প্ৰয়োজন হোৱা কাগজৰো অভাৱ হৈছিল। তেওঁক দৈনিক প্ৰায় সত্তৰ খিলা ডাঙৰ কাগজত অংক বোৰ কৰিছিল। সেই সময়ত তেওঁ পেলনীয়া কাগজৰ টুকুৰাও বাদ দিয়া নাছিল ।

তেওঁৰ গণিত সৃষ্টিৰ অধিকাংশ কেইখনমান টোকা বহী ত এৰি থৈ গৈছে। তেওঁ এই টোকা বহী হাইস্কুলৰ ছাত্ৰ হৈ থকা অৱস্থাৰ পৰাই ব্যৱহাৰ কৰিছিল। বৰ্তমানলৈকে ৰামানুজনৰ মুঠ চাৰিখন টোকা বহীৰ বিষয়ে জানিবলৈ পোৱা গৈছে। প্ৰথম খন টোকা বহী তেওঁ বিশেষ ধৰণৰ সেউজীয়া চিয়াঁহীৰে লিখিছিল। ৩৫২ পৃষ্ঠাৰ দ্বিতীয় খন টোকা বহীত গাণিতিক সূত্ৰ কিছুমানৰ সংক্ষিপ্ত প্ৰমাণ দি গৈছে। মাত্ৰ ৩৩ পৃষ্ঠাৰ তৃতীয় খন টোকা বহীত ৰামানুজনৰ সংখ্যা তত্ত্ব সম্বন্ধীয় বহু মনোৰম আৰু মূল্যৱান আৱিষ্কাৰ আছে। ইয়াত কেৱল ২, ৩, ৫ আৰু ৭ মৌলিক উৎপাদক হিচাপে থকা ১২, ০০৫ টা স্বাভাৱিক সংখ্যাৰ উল্লেখ আছে। তেওঁৰ এই কাৰ্যই সকলোকে অভিভূত কৰি তুলিছিল। তেওঁৰ টোকা বহীত সন্নিবিষ্ট বৃহৎ সংখ্যক অভেদ, সূত্ৰ আৰু উপপাদ্য ৰ সত্যাপন হ'বলৈ এতিয়াও বাকী আছে। কিছুমানৰ বিশ্লেষণাত্মক অধ্যয়নৰ ফলত আধুনিক গণিতৰ নতুন মনোৰম উপ শাখাৰ সৃষ্টি হৈছে।

ৰামানুজনে কৈছিল যে তেওঁ গণিতৰ সূত্ৰ বোৰৰ সপোন দেখিছিল; সাৰ পাই সেইবোৰ লিখি পেলাইছিল আৰু তাৰ পাছত প্ৰমাণ কৰিছিল। কোনো কোনোৰ মতে তেওঁ দৈৱিক চিন্তা শক্তিৰ অধিকাৰী অসাধাৰণ প্ৰতিভাসম্পন্ন গণিতজ্ঞ। এনে এজন উচ্চখাপৰ সৃজনী শক্তি সম্পন্ন গণিতজ্ঞ ৰামানুজন সদায়েই স্মৰণীয় হৈ ৰ'ব।

# মমৰ মূৰ্ত্তি

কঠোৰ পৰিশ্ৰম কৰিলে জীৱনৰ গতিপথ সম্পূৰ্ণ সলাই দিব পাৰে।

'কি হ'ল? অন্য এখন জগতলৈ গুছি গ'ল যে?'

'এটা সঠিক সিদ্ধান্ত ল'বলৈ হ'লে বহুমুখী চিন্তাৰ প্ৰয়োজন। সেই চিন্তাবোৰক একত্ৰিত কৰি এটা সূত্ৰ উদ্ভাৱন কৰিব লাগে। তোমাৰ মাৰ প্ৰস্তাৱক সন্মতি জনোৱা উচিত। তুমি প্ৰেৰণা, উৎসাহ যোগাবা,দেখিবা সেই দুখৰ দিন নাইকীয়া হৈ যাব।' হয়তো দুৰৱাৰ প্ৰশ্নৰ উত্তৰত পৰিমিতা সন্তুষ্ট হ'ব পৰা নাছিল। ইমান জটিল প্ৰশ্ন এটাৰ তৎকালীন সমাধান। তাই জানে - দুৰৱা এজন স্থিতপ্ৰজ্ঞ ব্যক্তি। সদায় মানুহজনে সন্মুখত বৃহৎ কল্পনা লৈয়ে খোজ দিয়ে। নেতিবাচক চিন্তাই গ্ৰাস কৰিব নোৱাৰে। দিনে-নিশাই পৰিশ্ৰম কৰে। ক্লান্তিবিহীন জীৱন। অতি স্বাভাৱিকভাৱে জীৱন নিৰ্বাহ কৰে। টকা, প্ৰাচুৰ্যতাই মানুহজনক স্পৰ্শ কৰিব নোৱাৰে। নতুন প্ৰজন্মৰ সৈতে এক আত্মিক সম্পৰ্ক। কাৰো সৈতে কিন্তু নিবিড়তা নিবিচাৰে। এদিন পুনৰ পৰিমিতাই সুধিছিল। দুৰৱাই গভীৰভাৱে বিশ্বাস কৰিছিল উদ্দীপুই পৰিমিতাৰ সপোন সাৰ্থক কৰিব পাৰিব। সেইবাবে দুৰৱাৰ স্পষ্ট উত্তৰ আছিল—'সঠিক পথত আগবাঢ়িছা, আগুৱাই যোৱা।' এদিন উদ্দীপুৰ সৈতে পৰিমিতাৰ বিয়া হৈ গৈছিল। দুৰৱাই যাব নোৱাৰিলে। মাজে সময়ে কোম্পানীৰ কামৰ বাবে পৰিমিতাই ফোন কৰে। সাধাৰণ খা-খবৰ। ইয়াতকৈ বেছি সম্পৰ্ক ৰখাৰ বাবে দুৰৱাৰ হাতত সময় নাই। এদিন পৰিমিতাই দুৰৱাক ফোন কৰি কৈছিল—' আপুনি এদিন আমাৰ প্ৰেছটো চাবলৈ আহিব লাগে। উদ্দীপুই আপোনাৰ লগত চিনাকী হ'লে ভাল পাব।'

' সময় পালে নিশ্চয় এদিন যাম।'— দুৰৱাই সংক্ষেপ্তে উত্তৰ দিছিল। এদিন দুৰৱাই সিদ্ধান্ত লৈছিল উদ্দীপুৰ প্ৰেছটো চাবলৈ। পৰিমিতাক জনাই দিছিল। সন্ধিয়া আঠ বজাত যেতিয়া প্ৰেছলৈ গৈছিল, উদ্দীপু আৰু দেউতাক আছিল। কেবাগৰাকী কৰ্মচাৰী ভীষণ ব্যস্ত। দুৰৱাৰ ভাল লাগিছিল। সুখী হ'বলৈ যেন এক শক্তিশালী আৰম্ভণি হৈ গৈছে।

প্ৰথম চিনাকীতে উদ্দীপুৰ প্ৰতি এক গভীৰ বিশ্বাস ভাব আৰোপিত হৈছিল। সৰলতাৰে পূৰ্ণ এখন মুখ। কৰ্মদ্যোমী। কথাৰ মাজে মাজে কৰ্মচাৰীসকলৰ কাম-কাজৰ নিৰীক্ষণ।

উদ্দীপুৰ প্ৰতি তীব্ৰ আকৰ্ষণে মাজে সময়ে দুৰৱাক সিহঁতৰ ঘৰখনৰ মাজলৈ টানি নিছিল। সময় পালে কেতিয়াবা প্ৰেছলৈ,কেতিয়াবা ঘৰলৈ যায়। উদ্দীপুৰ মাকে স্থায়ীভাৱে সিঁহতৰ লগতে থাকিবলৈ লৈছিল। দেউতাক গাঁৱৰ ঘৰৰ থাকে। অৱসৰৰ পিছতো বিভাগে তেওঁক অস্থায়ী ৰূপত ৰাখিছে।

' দাদা, কি হ'ল? ইমান মৌন।'— উদ্দীপুই কথাষাৰ কৈ পৰিমিতাক চাহ বনাবলৈ নিৰ্দেশ দিয়ে।

দুৰৱাৰ সন্মুখত চলচ্চিত্ৰৰ দৃশ্যাংশৰ দৰে ভাঁহি আহিবলৈ ধৰে পৰিমিতা আৰু উদ্দীপুৰ ঘটনা প্ৰৱাহ। দুৰৱা যেন সেই ঘটনাবোৰৰ মাজত ছয়াময়া শিহৰণ।

দুৰৱাই লাহেকৈ ক'লে—' কোম্পানীৰ কাম এটাৰ কথা মনলৈ আহিছে।' দুৰৱা হঠাৎ থিয় হ'ল। আৰজেন্ট কাম এটা আছে। এতিয়াই যাব লাগে বুলি কৈ ওলাই আহে।

গাড়ীখনত উঠি দুৰৱাই ছিগাৰেট এটা জ্বলাই ল'লে। মহানগৰীৰ বুকু তেতিয়াও সজীৱ। অসংখ্য গাড়ী অহা-যোৱা কৰিছে। ওখ ওখ অট্টালিকাৰ মাজেৰে নিগৰি আহিছে পোহৰৰ মায়াজাল। ষ্ট্ৰীট লাইটৰ পোহৰত আলোকময় পথ।

দুৰৱাই ড্ৰাইভাৰজনক নিৰ্দেশ দিলে—' গাড়ীখন চাৰিআলিত ৰখাবা। কেইটামান বস্তু কিনিব লাগিব। তুমি লৈ আহিবা।'

অইনদিনা দুৰৱাই নিজেই বজাৰ কৰে। গাড়ীখন চাৰিআলিটোত ৰখাই এবাৰ তেওঁৰ ফালে নিৰ্বাক দৃষ্টিৰে চাই ৰ'ল।' দুৰৱাই টকা, বেগ আৰু লিষ্টখন ড্ৰাইভাৰজনৰ হাতত তুলি দিলে।

দুৰৱাই স্বগদোক্তি কৰি উঠে— ' প্ৰথম দৃষ্টিত লোৱা ধাৰণা সঠিক নহয়। সমুজ্জ ল এখন মুখ। অথয় ভিতৰত সন্দেহ, অবিশ্বাসৰ এখন পৃথিৱী। এটা টেলিফোন কলক সন্দেহৰ দৃষ্টিৰে চাব পাৰে।'

দুৰৱাই সিদ্ধান্ত লৈ পেলালে উদ্দীপু আৰু পৰিমিতাৰ লগত কোনো ধৰণৰ সম্পৰ্ক নাৰাখে। তেওঁ নিজে ভয়, সন্দেহ, অবিশ্বাসৰ পৰা বহু দূৰত থাকি জীৱন আগুৱাই নিছে। এবাৰ পৰিমিতাক কথাষাৰ কোৱাৰ কথা ভাবিলে। তেনে কাম কৰাটো সমীচিন নহ'ব, তেনে ধাৰণা এটা মনলৈ অহাৰ লগে লগে দুৰৱাই পুনৰ এটা ছিগাৰেট জ্বলালে। এক অক্ষমণীয় অপৰাধবোধে তেওঁক হেঁচি ধৰে।

দুৰৱা এক সমাহিত ব্যক্তি। স্বল্পভাষী। ক্ষোভ থাকিলেও প্ৰশমিত কৰি ক'ব পাৰে। জীৱনত এনে বহু প্ৰতিজ্ঞা কৰিছে, পিছদিনা পাহৰণিৰ অতল গৰ্ভত বিলীন হৈ যায়। দুৰৱাই ভাবে মানুহক সংস্কাৰ কৰিব লাগে, ভুল শুধৰাই দিব লাগে। কৰ্মতহে জেদ কৰিব লাগে। দুৰৱাই উদ্দীপুৰ কথাষাৰ পুনৰীক্ষণৰ চেষ্টা কৰে।

এসপ্তাহমানৰ পিছত উদ্দীপুৰ ফোন, কাম এটা কৰি দিব লাগে।

দুৰৱাই নিজেই গৈ কামটো কৰি দিলে। উদ্দীপুই জোৰ কৰিলে—' ইমান ডাঙৰ কাম এটা কৰি দিলে, মোৰ ঘৰত একাপ চাহ খাবলৈ যাব লাগিব।'

অনিচ্ছাসত্বেও দুৰৱাই ক'লে —' হ'ব।'

উদ্দীপুৰ মাক গাঁৱলৈ গৈ উভতি অহা নাই। ঘৰত পৰিমিতা আৰু উদ্দীপু। কলিং বেল টিপি দিয়াৰ লগে লগে উদ্দীপুই দুৱাৰখন খুলি দিলে। দুৰৱা যে ঘৰলৈ আহিব সেই কথা পৰিমিতাক জনোৱা নাছিল। উদ্দীপুই পৰিমিতাক উদ্দেশ্যি ক'লে— 'ভালকৈ চাহ বনোৱা। দাদাই বহুত ডাঙৰ কাম এটা কৰি দিলে।'

'গাখীৰ শেষ। ৰঙা চাহ খাবনে?' পৰিমিতাই কথাষাৰ কৈয়ে উদ্দীপুৰ কাষত থিয় হৈ পুনৰাই ক'লে—' মই দোকানৰ পৰা গাখীৰ লৈ আহো।'

পৰিমিতাই ঘৰত পিন্ধি থকা কাপোৰজোৰেৰে ওলাই গ'ল। অথচ উদ্দীপুৰ কোনো প্ৰতিক্ৰিয়াই নাই। পত্নীক দোকানলৈ পঠিয়াই দি বহি ৰ'ল উদ্দীপু। অথচ এইজনেই উদ্দীপুই মাক থকাৰ সময়ত সহজে ওলাই গৈছিল। নেটৱৰ্কৰ সমস্যাই মাজে সময়ে উদ্দীপুৰ সমস্যাৰ সৃষ্টি কৰে। প্ৰায়ে ফোন ৰিচিভ কৰিবলৈ গেটলৈ যাবলগীয়া হয়। দুৰৱাই নিজেই দেখি আহিছে। কিন্তু মাকৰ অনুপস্থিতিত উদ্দীপু সলনি হৈ পৰিছে। কাষৰ কোঠালীটোলৈ যায় ফোন ৰিছিভ কৰিবলৈ। মুহূৰ্তে মুহূৰ্তে সেই কোঠালীৰ পৰা ওলাই আহে। কাৰণ পৰিমিতা বহি আছে দুৰৱাৰ সন্মুখত। এক ভয়, শংকাই উদ্দীপুক খেদি ফুৰিছে। দুৰৱা আহিলে উদ্দীপুই এক ছেকেণ্ডৰ কাৰণে আঁতৰি যাব নিবিচাৰে।

দুৰৱাই লক্ষ্য কৰে লাহে লাহে পৰিমিতাই এযাৰ মাত দিয়ে ভিতৰলৈ সোমাই যায়। এদিন উদ্দীপু আৰু পৰিমিতাৰ সন্মুখত দুৰৱা। পৰিমিতাই পিন্ধি থকা কাপোৰ ভৰিৰ গোৰোহাৰ পৰা সামান্য উৰ্দ্ধত উঠিছে। উদ্দীপুই ৰঙা চকুৰে ইংগিত দিছে তললৈ নমাবলৈ। দুৰৱাই নিজ চকুৰে দেখিলে সেই চাঁৱনি। দুৰৱাই দেখে উদ্দীপুৰ সন্দেহ ক্ৰমশঃ গাঢ় হৈ পৰিছে।

উদ্দীপুই নিজৰ প্ৰেছটোক লৈ কল্পনা দেখে। দুৰৱাৰ ভাল লাগে। মহানগৰীৰ অন্যান্য শীৰ্ষ প্ৰেছ হিচাপে গঢ়ি তুলিব বিচাৰে। এইখিনি আত্মবিশ্বাস আছে বুলিয়েই দুৰৱাই ভাবে। কিন্তু কৰ্কট ৰোগ সদৃশ সন্দেহবাদীতাৰ পৰা মুক্ত হোৱাটো উদ্দীপুৰ বাবে সম্ভৱ হৈ নুঠিব।

এদিন উদ্দীপুই ক'লে যে প্ৰেছটোৰ সম্প্ৰসাৰণ কৰিব। বহী ছপা কৰা মেছিন ক্ৰয় কৰিব। দুৰৱাই উৎসাহ যোগালে। মেছিন অনাৰ দিনা উদ্দীপুক ফোন কৰি দুৰৱাই জনাই দিলে যে কাইলৈ সিহঁতৰ ঘৰলৈ ভাত খাবলৈ যাব লাগিব। উদ্দীপুই পুনৰ ক'লে—' ভালেই হ'ব। কাইলৈ মেছিন ফিটিং কৰিব। ভাল দিনতে আপুনি আহিব।'

পুৱাই পৰিমিতাৰ ফোন—' দাদা আপুনি আহিব। উদ্দীপুই নিজেই বজাৰ কৰি ৰন্ধা-বঢ়াত লাগিছে। আপুনি অহাৰ লগে লগে ফোন কৰিব। ময়ো প্ৰেছতে থাকিম।'

দুৰৱাই একো নক'লে। কোম্পানীৰ কামৰ ব্যস্ততাৰ বাবে তেওঁ যাব নোৱাৰিলে। উদ্দেশ্যবিহীনভাৱে সন্ধিয়া পৰ্যন্ত নিজৰ লগতে ৰাখিলে পৰিমিতাক। উদ্দীপুই নিবিচাৰে তেওঁৰ অনুপস্থিতিত দুৰৱা ঘৰত উপস্থিত হওক। ক্ৰমশঃ দুৰৱাৰ প্ৰতি এক সন্দেহ, অবিশ্বাসে দগ্ধ কৰিছিল উদ্দীপুৰ মন। দুৰৱাই বুজি উঠিছে, এই মন লৈ উদ্দীপুৰ জীৱনৰ বিকাশ হয়তো সম্ভৱ নহ'ব। পৰিমিতাই জানে কোনো নাৰীৰ প্ৰতি দুৰৱাৰ সামান্য দুৰ্বলতা নাই। অন্ততঃ যিমান দিন লগ পাইছে, তাই তেনে পৰিস্থিতি এটাৰ মুখামুখী হ'বলগীয়া হোৱা নাই। উদ্দীপুৰ সন্দেহবাদীতাৰ বাবে পৰিমিতাই দুৰৱাক ফোন নকৰে। কোম্পানীৰ জৰুৰী কামৰ বাবে কেতিয়াবা ফোন কৰিলেও তাই ফোন ৰিচিভ নকৰে। উদ্দীপুৰ মোবাইলত ফোন কৰিলেও ৰিচিভ নকৰে। কাৰণ তাৰ মোবাইলত কল অটমেটিকেলি ৰেকৰ্ডিং হয়। কোম্পানীৰ কামৰ মেছেজ কৰিলেও তাই এবাৰ পঢ়িয়ে ডিলিট কৰি দিয়ে। দুৰৱা নিশ্চিত হ'ল যে পৰিমিতাৰ ফোন, মেছেজ হয়তো উদ্দীপুই চেক কৰে।

উদ্দীপুই পৰিমিতাক এনে এক কেন্দ্ৰবিন্দুলৈ ঠেলি দিছে যে তাই দুৰৱাক এটা ফোনকল কৰিবলৈ সাহস গোটাব নোৱাৰে। অতি কৌশলেৰে কামখিনি কৰি উদ্দীপু সন্তুষ্ট। তেওঁৰ সন্মুখৰ পথ এতিয়া কণ্টকমুক্ত। এবাৰ কথা পাতিবলৈ পৰিমিতাক সুযোগ দিব নিবিচাৰে উদ্দীপুই। দুৰৱা ঘৰলৈ গ'লে এক বিন্দুৰ বাবে তেওঁৰ ওচৰৰ পৰা আঁতৰি নাযায়। উদ্দীপুক দুৰৱাই বুজাবলৈ আৰম্ভ কৰে যে পৰিমিতাৰ এই ভয় আঁতৰ কৰিব লাগে। প্ৰয়োজনত তেওঁ নিজেও বুজাব। দুৰৱাই ক'ব পৰা নাই যে উদ্দীপুৰ সন্দেহবাদীতাৰ বাবেই পৰিমিতাৰ ভয় ক্ৰমশঃ বাঢ়ি আহিছে। উদ্দীপুৰ মুখত শুনিছে, পৰিমিতাৰ খং, জেদ ভাব এটা বাঢ়ি আহিছে। এটা বিশ্বাসৰ বাতাবৰণ গঢ়ি তুলিবলৈ দুৰৱাই চেষ্টা কৰিছে, কিন্তু উদ্দীপুৰ সন্দেহ আৰু অবিশ্বাস এখন বৃহৎ দেৱাললৈ ৰূপান্তৰিত হৈ পৰিছে।

ক'ৰনা মহামাৰীয়ে উদ্দীপুৰ জীৱনলৈ ভয়ংকৰ প্ৰত্যাহ্বান নমাই আনে। লকডাউন। প্ৰেছ বন্ধ। ইতিমধ্যে প্ৰেছৰ পুৰণি মেছিন বেয়া হ'বলৈ আৰম্ভ হৈছে। ভাল কৰিবলৈ হাতত টকা নাই। উদ্দীপুই কথাষাৰ কোৱাৰ লগে লগে বেংক একাউণ্টৰ পৰা টকা উলিয়াই দিয়ে দুৰৱাই। লাহে লাহে অভাৱে গ্ৰাস কৰে উদ্দীপুক। এখন মিয়মান মুখ। এক অন্ধকাৰচ্ছন্ন ভৱিষ্যতক লৈ সি শংকিত হৈ পৰিছে। দুৰৱাৰ বেয়া লাগে। এজন ব্যক্তিৰ পৰা চাৰি লাখ টকা লৈ উদ্দীপুক দিয়ে। কিন্তু ঘৰ ভাড়া, প্ৰেছৰ ভাড়া, অন্যৰ পৰা অনা ধাৰ পৰিশোধ কৰাৰ লগে লগে সেই টকা খিনি শেষ হৈ যায়।

উদ্দীপুক টকা লাগে, কাম লাগে— কিন্তু ক'ৰনা মহামাৰীৰ দৰে তাৰ ব্যৱসায়ক তিলতিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিছে। বৰ্তমান চলি থকা কামবোৰেৰে জীৱনটোক আগুৱাই নিয়াটো অসম্ভৱ হৈ পৰিছে। দুৰৱাক পৰামৰ্শ বিচাৰে। দুৰৱাৰ স্পষ্ট উত্তৰ— এজন ভাল মানুহ বিচাৰি উলিওৱা। যিয়ে তোমাৰ জীৱন জাতিস্কাৰ কৰিব পাৰে। তেনে ব্যক্তিৰ সন্ধান কৰি উদ্দীপু ব্যৰ্থ। সকলোৰে পৰা বিচ্ছিন্ন জীৱনবোধে। উদ্দীপুই যেনেকৈ দুৰৱাৰ প্ৰতি সন্দেহবাদ জীয়াই ৰাখিছে, অন্য মানুহবোৰেও যেন উদ্দীপুক বিশ্বাস কৰিবলৈ এৰি দিছে। দুৰৱাৰ মনত পৰিল নিউটনৰ সেই বিখ্যাত সূত্ৰটোলৈ—' ইভৰি একশ্বন হেজ এ অপজিট ৰিয়েকশ্বন।'

নিজৰ সততাৰ ওপৰত সন্দেহ কৰাৰ বাবেই দুৰৱাৰ উদ্দীপুৰ ওপৰত খং। দুৰৱাই দৃঢ়তাৰে উদ্দীপুৰ লগত সম্পৰ্ক ৰাখিব বিচৰা নাই। মাত্ৰ চাৰি লাখ টকাৰ বিনিময়ত ভাবৰ আদান-প্ৰদান চলিছে। কিন্তু উদ্দীপুই বুজি উঠা নাই নিজৰ ভিতৰত জীয়াই ৰখা সন্দেহৰ বীজ কিদৰে বটবৃক্ষলৈ ৰূপান্তৰিত হ'বলৈ ধৰিছে। দুৰৱাৰ কোমল হৃদয়ত ক্ৰমশঃ বিয়পি পৰিছে উদ্দীপুৰ প্ৰতি ঘৃণা। এটা পবিত্ৰ সম্পৰ্কক নিঃশেষ কৰি উদ্দীপু সুখী নে দুখী দুৰৱাই নাজানে। দুৰৱাই দেখে উদ্দীপুৰ ভৰিখন যেন লাহে লাহে বোকাত সোমাই পৰিছে। এটা সন্দেহবাদী মনে যেন ক্ৰমশঃ ৰুকি ৰুকি খাবলৈ আৰম্ভ কৰিছে উদ্দীপুৰ জীৱনৰ ৰেখা।

# শিক্ষক আৰু ছাত্ৰ

**পদ্ম শঙ্কৰ চৌধুৰী, অৱসৰপ্ৰাপ্ত শিক্ষক**



মানৱ সভ্যতাৰ দুটি শব্দ শিক্ষক আৰু ছাত্ৰ
শিক্ষকৰ প্ৰতি শ্ৰদ্ধাশীল জনেই উত্তম পাত্ৰ।
তাহানিতে ইয়াক বুলিছিল গুৰু আৰু শিষ্য,
গুৰু-আদেশ পালনেই আছিল মূল উদ্দেশ্য।
গুৰু গৃহত থাকি কৰিব লাগিছিল বিদ্যা আৰ্জন,
কোনোকালে গুৰুৰ আদেশ নকৰিছিল লংঘন।
ধনুৰ্বিদ্যা, গোদা-যুদ্ধ, অস্ত্ৰ-বিদ্যা, অশ্ব-হস্তী চালন,
এই বোৰেই বিদ্যা আৰ্জনৰ আছিল মূল শিক্ষণ।
খৰি-লুৰা গৰু-চ'ৰা আদিও সিহঁতৰ আছিল কৰ্ম,
বেদ শাস্ত্ৰাদিৰ অধ্যয়নেৰে বুজি লৈছিল তত্ব-মৰ্ম।
তাহানিৰ গুৰু-শিষ্য গুচি হ'ল শিক্ষক আৰু ছাত্ৰ।
পাঠ্য-পুথিয়েই হ'ল বিদ্যা-আৰ্জনৰ পথ একমাত্ৰ।
শিক্ষকসকলতকৈ ছাত্ৰসকল হ'ব লাগে সিয়ান,
শিক্ষকসকলৰ পৰা খুচুৰি খুচুৰি ল'ব লাগে জ্ঞান
যেনেদৰে দামুৰিজনীয়ে গাইৰ ওহাৰত খুন্দিয়াই,
তেতিয়াহে গাইয়ে নিজৰ গাখীৰ দিয়ে উলিয়াই।
যিজন ছাত্ৰ শ্ৰেণী-কোঠাত থম-থম মদন গোপাল,
বিদ্যাই কেতিয়াও ধৰা নিদিয়ে তাৰ পুৰা কপাল।
তাহানি গুৰু আৰু শিষ্যৰ যি মধুৰ সম্পৰ্ক আছিল,
বৰ্তমান শিক্ষক-ছাত্ৰৰ সেই সম্পৰ্ক উকলি আহিল।
ইয়াৰ বাবে কাক জগৰীয়া কৰিম কোনে দায়ী হ'ব?
যুগৰে তাগিদাত হৈছে বুলি সান্ত্বনা লভিব লাগিব।
ছাত্ৰ-ছাত্ৰীসকললৈ এটি কৰিব খুজিছোঁ আহ্বান।
শিক্ষকসকলৈ কোনো কালে নকৰা যেন হেয় জ্ঞান।
শিক্ষকসকলৰ মনৰ আনন্দৰ কথা এটি ক'ব কওঁ,
ছাত্ৰ-ছাত্ৰীৰ সুনাম অৰ্জনত কেনে যে আনন্দ পাওঁ।
ছাত্ৰ-ছাত্ৰীৰ সাফল্যতাই শিক্ষকৰ জীৱন ধন্য হয়,
শিক্ষকতা কৰা জীৱনৰ যেন সাৰ্থকতা লভা হয়।
ছাত্ৰ-ছাত্ৰীসকলৰ অৱগতাৰ্থে কথা এটি কৈ থওঁ,
শিক্ষকৰ অৱসৰ গ্ৰহণৰ পিছতপাহৰি যেন নাযাওঁ।
শিক্ষক-ছাত্ৰৰ মধুৰ সম্পৰ্কটি অণুক্ৰমে হৈছে ম্লান,
সেই সম্পৰ্কটি ফিৰাই আনিবলৈ কৰিছোঁ আহ্বান।

**(বি.দ্ৰ.-ইয়াত ছাত্ৰ বুলি কওঁতে অকল ছাত্ৰকে কোৱা নাই ছাত্ৰীসকলো ইয়াৰ মাজত সোমাই আছে)**

# সময়

**মৃদুস্মিতা শৰ্মা গোস্বামী, যোৰহাট**



এবছৰ দু বছৰকৈ আঙুলিৰ মূৰত গণোতে গণোতে অৱসৰৰ বাবে দেখোন মাত্ৰ দুটা দিনহে বাকী আছেগৈ। তাইক বিদায় দিয়াৰ উদ্দেশ্যে পৰহিলৈ সহকৰ্মী সকলে বিদায় সভা অনুস্থিত কৰিছে। আইনাখনৰ সমুখত ৰৈ আধাপকা চুলিখিনিত ৰং সানি সানি পুৰণি স্মৃতি ৰোমন্থন কৰি অনামিকাৰ মনটো যেন সেমেকি গ'ল। অতি সাধাৰণ চাদৰ-মেখেলা এজোৰ পিন্ধি, কঁকালৰ তললৈকে পৰা দীঘল চুলিটাৰিৰে বেণী এদাল গুঠি চাকৰিত যোগদান কৰা দিনটোচোন মনতেই আছে। কিন্তু বছৰৰ পাছত বছৰ বাগৰি সময়েযে কেতিয়ানো তাইৰ আগৰ সেই ক'লা চুলিটাৰিত ৰূপালী ৰং বোলালে তাৰ উমান ল'বলৈ দেখোন আহৰিয়েই নাপালে।

এই সুদীৰ্ঘ সময়ছোৱাত ঘৰুৱা-সাংসাৰিক দায়িত্বৰ লগতে সামাজিক আৰু চাকৰিৰ দায়িত্বও সমানে আগুৱাই নিওঁতে সময়ৰ লগত সাঙোৰ খাই থকা তিতা-মিঠা অনেক অভিজ্ঞতা এটাৰ পিচত এটাকৈ তাইৰ মনলৈ আহিবলৈ ধৰিলে। পুৱা জোঁট-পোটকৈ কামলৈ ওলায় যোৱাৰ সময়ত কতজনে আগ্ৰহেৰে ক'বলৈ লোৱা কথাকো সময়ৰ অজুহাতত আধাশুনাকৈ এৰিব লগীয়া হৈছিলে। ঘৰৰ জনা-শুনা মানুহখিনিয়েতো সেইসময়ত পৰাপক্ষত একো আমনি কৰিবলৈকে নিবিছাৰিছিল। পাঁচ মিনিট পলম হ'লেই তিনিআলিত ৰোৱা বাছখন নাপাব বুলি কতদিনযে ঘৰলৈ অহা আত্মীয়ক পাকঘৰ গতাই দি নিজৰ কৰ্মক্ষেত্ৰলৈ ওলাই যাব লগীয়া হৈছিল। এতিয়া ভাবিলে বেয়াই লাগে দুদিনৰ পিছতে তাইৰ হাতত অজস্ৰ সময় থাকিব কিন্তু মূৰ খুন্দিয়াই বিচাৰি থাকিলেও স্মৃতি হৈ ৰোৱা ভাললগা দিনবোৰযে আৰু কেতিয়াও ঘুৰাই নাপায় তাকে ভাবি থাকোঁতেই তাইৰ অলক্ষিতে এটা হুমুনিয়াহ ওলাই আহিল। এৰা, ঈশ্বৰে আমাক দিয়া অমূল্য উপহাৰ 'সময়ক' ধৰি ৰখা বা পাৰহৈ যোৱা সময়ক ঘূৰাই অনাৰ সাধ্য কাৰোৱেই নাই।

সেয়ে হয়তু সময়ৰ ওপৰত এজন মহান ব্যক্তিৰ এইযাৰ উক্তি তাইৰ বৰ ভাল লাগে -"তুমি যদি তোমাৰ ভাললগা কাৰোবাক কিবা এটা ভাল উপহাৰ দিব খোজা তেন্তে, মাজে মাজে কেতিয়াবা, তোমাৰ জীৱনৰ, অলপ 'সময়' তেঁওক বা তেঁওলোকক উপহাৰ ৰূপে দিবলৈ চেষ্টা কৰিবাছোন। "সময়"খিনি অন্তৰঙ্গ আৰু প্ৰেৰণাদায়ক হ'লে উভয়েই উপকৃত হ'বা"।

'তুমি আজি শাৰীখন বৰ ধুনীয়াকৈ পিন্ধিছা দেই' বুলি সহকৰ্মী উৎপলা

*(বাৰ পৃষ্ঠাত চাওক)*

# দেউতাৰ স্মৃতি

**পূৰবী কলিতা ডেকা ৰঙিয়া**



সোনাৰুৰ হালধীয়া থোপটোৰ দৰে
ভৰি আছিল সুখৰ গছৰ ডালবোৰ
যেতিয়া ভাগৰি পৰা নাছিল দুভৰি
খোজকাঢ়ি দুখৰ নদীৰ সোঁতৰ বিপৰীত গতিত
কান্ধত নাচি আছিল সপোনৰ বিৰিয়া
দুয়োমূৰত ডুলি আছিল হেপাহৰ দাঙৰি
তেতিয়া ভৰ দিবলৈ আছিল দুখন ভৰি
তাৰ বিপৰীতে তেওঁ দাঙি লৈছিল চাৰিখন ভৰি
এতিয়া নকৈ গজা আনখন ভৰিয়ে চাগে
দুৰ্বল কৰি পেলাইছে তেওঁক
এটা দীঘল হুমুনিয়াহে শিপাই গৈছে
তেওঁৰ গোটেইখন পৃথিৱী
ভাৰখন আৰু তেওঁৰ কান্ধত নুযুৰে
মঙহবিহীন শুকান হাড়কেইডালত বিৰিয়াটো নাচি নুঠে
সেয়েহে ভাৰখন কাঢ়িব পৰা হলে ভাল আছিল

# সুখ

**ময়ুৰাক্ষী গগৈ**



সুখ এটি মধুৰ অনুভূতি,
তাতেই লুকাই আছে
জীৱনৰ মাদকতা।
বিচাৰিব জানিলে,
দুখৰ মাজতো
সুখেই পোৱা যায়।
নিৰাশাৰ মাজৰ আশাও
এক প্ৰকাৰৰ সুখেই।
সপোনৰ পাছত দৌৰাতকৈ,
কৰ্ম কৰি গ'লেই
সুখ পাব পাৰি।
কাৰোবাক উপকাৰ কৰাত
অসমৰ্থ হ'লেও,
অপকাৰ নকৰাতোও সুখ।
হয়তো নিজে কান্দি,
আনক হাঁহিবলৈ শিকোৱাটোও
এক অনাবিল সুখেই।

# ENGLISH NEWS SECTION

## Bangladesh I& B Minister and Assam Industry Minister discuss on improvement of trade and business ties



**Guwahati RB News:** Industries and Commerce Minister Chandra Mohan Patowary attended an interactive session with Information and Broadcasting Minister of the People's Republic of Bangladesh, Dr. Hasan Mahmud at a programme organized by Indian Chambers of Commerce (ICC) today. Addressing the gathering, Minister Mahmud deliberated on the similarities on food, attire, culture, language between Assam, India and Bangladesh. 'People of Bangladesh an Assam live on the banks of the same river – Brahmaputra in Assam and Jamuna in Bangladesh.' Dr. Mahmud stated that Bangladesh is focused on improving people-to-people contact and strengthening connectivity to improve trade and business through waterways, railways and airways. Chittagong Port has a long historical association with Assam and the region since the British colonial period. The century-old seaport has been redeveloped to handle cargo ships with deeper depths. Chittagong Port is nearer to Guwahati compared to Haldia Port of Kolkata. This will not only reduce transportation costs but also boost trade and commerce activities.' Deliberating on the vibrant trade activities that took place prior to independence through the territories which are now Bangladesh, Industries and Commerce Minister Chandra Mohan Patowary said, 'The Barak River used to carry vessels from Chittagong and other ports of then East Bengal to this region. With the formulation of the Act East Policy of Government of India, the disrupted traditional trade routes are gradually being restored and reconnected through the Chittagong and Mongla Ports.'

It may be mentioned that in a major development recently, the first 260 MT digester package of Numaligarh Refinery Limited reached Silghat in Assam from Kolkata via river route through Bangladesh.

Minister Patowary called upon the Bangladesh Ministry officials to offer necessary support and cooperation for increase of volume of trade from Assam. 'Bangladesh can take the opportunities of potential sectors of Assam like ethanol, methanol, plastic, hydrocarbon to improve trade and business.'

During the event, India-Bangladesh trade portal was also launched which will facilitate the business fraternity of both India and Bangladesh. It is a trade portal wherein database of exporters and importers of both NE India and Bangladesh is uploaded and would enable B2B collaboration between buyers and sellers of both counterparts and also allow business dealings and negotiations among the two sides.

Shaimum Sarwar Kamal and Ms. Momtaz Begum, MPs of Bangladesh; Md. Mokbul Hossain, Secretary, Ministry of Information and Broadcasting, Bangladesh; Dr. Shah Mohammad Tanvir Monsur, Assistant High Commissioner of Bangladesh in Guwahati and other senior officials were present in the programme.

## Government of Assam prohibits strikes in Oil and Gas Sector



**Guwahati RB News:** The Government of Assam, in the public interest, has prohibited strikes in the State of Assam for a period of another 6 (six) months with effect from 01/01/2022 to 30/06/2022 by the officers, Workmen, Contract Labour, Tanker, Driver and also Khalasi involved in the service in the Oil and Gas Sector under Essential Services Maintenance (Assam) Act, 1980. Any service in any Oil field of Refinery of any establishment or undertaking dealing with the production, supply or distribution of Petroleum and Petroleum Products including Natural Gas will fall under the purview of this prohibition.

## MSME sector builds entrepreneurial spirit among the youths enabling them to become job creators rather than job seekers: Minister Patowary



**Guwahati RB News:** 'Growth of MSMEs will ensure employment generation and socio-economic development of our state. With minimum capital investment, MSME ensures maximum employment generation in comparison to the large industries which mostly rely on automation. MSME sector also builds entrepreneurial spirit among the youths enabling them to become job creators rather than job seekers.' This was stated by Industries and Commerce Minister Chandra Mohan Patowary at the MSME Conclave organized by CII today. Minister Patowary stated that in order to create a business-friendly environment in the state, the Assam Government introduced the Assam MSME (Facilitation of Establishment and Operation) Act, 2020. This will provide relief and support to entrepreneurs from the long procedures of approvals and inspections for 3 years. He further added that under this Assam MSME (Amended) Act, 2021 any person or enterprise who intends to set up an industrial unit in the notified Industrial Area shall apply for necessary clearances/ permissions/ NOCs through the Ease of Doing Business portal in an application form as may be prescribed. The designated officer like General Manager of DICCs or Deputy GM of AIDC/ AIIDC shall forward that application to the concerned government departments or agencies. If government departments and agencies fail to recommend the licenses, permission, etc. or they don't provide their objections to the designated officer within 30 days from the date of receipt of the application, such permissions, clearances, etc. shall be deemed to be recommended/approved by them. However, approval of power connection, fire clearance for industrial units shall not be included in the purview of this time limit. The Minister expressed the hope that the MSME Conclave will bring the entrepreneurs and bankers closer and bridge the gaps and doubts and will fully tap the potentiality that a growing consumer market offers. The Minister called upon the entrepreneurs to work on potential sectors like agar, food processing and ensured full support and cooperation from the state government in fructifying their dreams.

## Security cover and facilities of prospective Ex-Chief Ministers revoked

**Guwahati RB News:** Government of Assam revoked the facilities of accommodation and full security coverage provided to Ex-Chief Ministers of Assam prospectively in pursuance of the decision taken by the Cabinet in its meeting held on 1st January, 2022. However the present Ex-Chief Ministers of Assam shall continue to avail the facilities.

# ফেব্ৰুৱাৰী মাহটো

ভেলজাকা বোলে। গ্ৰেগৰিয়ান আৰু জুলিয়ান প?িকা অনুসৰি ফেব্ৰুৱাৰী মাহ বছৰৰ দ্বিতীয় মাহ। অন্যহাতে এই মাহৰ বিশেষ তাতপৰ্য হৈছে ই বছৰৰ সকলোতকৈ চুটি মাহ আৰু একমাত্ৰ মাহ যাৰ দিনৰ সংখ্যা ত্ৰিশতকৈ কম। অধিবৰ্ষত ই ২৯ দিনীয়া হয়। উত্তৰ গোলাৰ্দ্ধত ই শীতৰ তৃতীয় মাহ আকৌ দক্ষিণ গোলাৰ্দ্ধত গ্ৰীষ্মৰ তৃতীয় মাহ। উত্তৰ গোলাৰ্দ্ধত ই আগষ্ট মাহৰ সমতুল্য। সাধাৰণতে প্ৰতি বছৰতে ফেব্ৰুৱাৰী, মাৰ্চ আৰু নৱেম্বৰ মাহৰ প্ৰথম তাৰিখ একে বাৰতেই হয়। সেইদৰে বছৰত ফেব্ৰুৱাৰী মাহ, জানুৱাৰী আৰু অক্টোবৰ মাহৰ শেষ দিন একেই বাৰতেই হয়। অধিবৰ্ষত কিন্তু ফেব্ৰুৱাৰী আৰু আগষ্ট মাহ একে বাৰতে আৰম্ভ হয়। এই ফেব্ৰুৱাৰী মাহৰ আমোদ জনক দিশটো হৈছে ই ২৮/২৯ দিনীয়া যিয়েই নহও কিয় ফেব্ৰুৱাৰী মাহৰ শেষৰ দিন যিবাৰত হয় অ"ৌবৰৰ শেষৰ দিন সেই একেই দিনতেই হয়।

এতিয়া আহো ফেব্ৰুৱাৰী মাহৰ দিৱস সমূহৰ বিষয়ে।

১)অন্ধকাৰ ইতিহাসৰ মাহ: আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডা।

২) জাতীয় পখি -খাদ্য দান মাহ : আমেৰিকা যুক্তৰাষ্ট্ৰ।

৩) ৪ ফেব্ৰুৱাৰী : স্বাধীনতা দিৱস শ্ৰীলংকা।

৪) ১২ ফেব্ৰুৱাৰী : আব্ৰাহাম লিংকনৰ জন্মদিন।

৫) ১৪ ফেব্ৰুৱাৰী : ভেলেণ্টাইন দে/ দিৱস।

৬) ১৫ ফেব্ৰুৱাৰী : পতাকা দিৱস।

৭)২১ ফেব্ৰুৱাৰী : আন্তৰ্জাতিক মাতৃভাষা দিৱস।

৮) ২২ ফেব্ৰুৱাৰী : স্বাধীনতা দিৱস (ছেণ্ট লুছিয়া)

৯) ২২ ফেব্ৰুৱাৰী : জৰ্জ ৱাচিংটনৰ জন্ম দিন

১০) ২৪ ফেব্ৰুৱাৰী : স্বাধীনতা দিৱস (এষ্টোনিয়া)

১১) ২৪ ফেব্ৰুৱাৰী : পতাকা দিৱস (মেক্সিকো)।

১২) ২৪ ফেব্ৰুৱাৰী : কেন্দ্ৰীয় আৱকাৰী দিৱস

১৩) ২৬ ফেব্ৰুৱাৰী : বিজয় দিৱস (কুয়েট)

১৪)তৃতীয় সোমবাৰ : পৰিয়াল দিৱস (কানাডা)

১৫) দ্বিতীয় ৰবিবাৰ : বিশ্ব পৰিণয় দিৱস।

তাৰোপৰি এই মাহতে বহুকেইজন বিশিষ্ট অসমীয়া ব্যক্তিৰ জন্মও হৈছিল। সেই সকলৰ ভিতৰৰে কেইজন মানৰ নামহে উল্লেখ কৰিছো।

১) ২ ফেব্ৰুৱাৰী : লক্ষ্য হীৰা দাসদেৱৰ।

২) ১১ ফেব্ৰুৱাৰী: নগেন শইকীয়া দেৱৰ।

৩)২০ ফেব্ৰুৱাৰী : ভৱেন্দ্ৰ নাথ শইকীয়া দেৱৰ।

৪) ২২ ফেব্ৰুৱাৰী : ইছমাইল হুছেইন দেৱৰ

আজি ফেব্ৰুৱাৰী মাহৰ বিষয়ে ইমানকে জনালো। পাছত বাৰু বহলাই আৰু লিখিম দেই।

# সময়

বাইদেউক এদিন তেঁওতকৈ বয়সত ১০ বছৰ মানৰ ডাঙৰ ভোলানাথ শইকীয়াইযে তাচ্ছিল্যসূচক মন্তব্যৰে কম জ্বলাই মৰা নাছিলে দেই। আত্মসন্মান হানি হোৱা কোনো কথা আৰু কামতে সোমাবলৈ ইচ্ছা নকৰা বাইদেউৰ লাজ আৰু খঙত ৰঙা পৰি যোৱা মুখখন দেখি সেইসময়ত তাইৰো যেন ক্ষোভৰ আগ্নেয়গিৰি উদ্গীৰণ হওঁ হওঁ হৈছিল ।ভদ্ৰভাৱে কথা ক'ব নজনা এই মানুহবোৰে কামকৰাৰ পৰিৱেশটোৱেই নষ্ট কৰি দিয়ে। শইকীয়াক ক'বৰ মন গৈছিল, দেহৰ ভাঁজসমুহ প্ৰকট কৰি সাঁজ পৰিধান কৰাবোৰক কওকছোন এনেকৈ, তেতিয়াহে চাম। এগৰাকী নাৰীৰ প্ৰতি কৰা এনে আচৰণৰ প্ৰতিবাদ নকৰি মনে মনে থাকিলে কোনদিনা তাইকো আকৌ অপমান কৰে কোনে জানে ।কিন্তু, সমাজত শিৰ উচ্চ কৰি থাকিবলৈ হ'লে আত্মসন্মান নথকা এইবোৰ মানুহৰ কথাক আওকাণ কৰিব পাৰিব লাগিব বুলিয়েই সেইসময়ত দুয়োজনীয়ে কথা আগনবঢ়াই মনে মনে থাকিবলৈ বাধ্য হৈছিল ।অৱসৰৰ আগমূহুৰ্ত্তত কিযে কথাবোৰ মনলৈ আহিছে ছেঃ,- ভাললগা বিষয়োতো অনেক আছে- কোনোবাই কিবা এটা নতুন বস্তু ল'লে কুতুৰি-কুতুৰি মিঠাই খোৱা, তিনি-চাৰিজনীমান লগ হৈ একেলগে বিয়া-সকাম খোৱা, ডিচেম্বৰ মাহৰ শেষৰ দেওবাৰটোত ফেমেলী পিকনিকৰ আয়োজন কৰা আদি বিগত সময়ৰ মধুৰ স্মৃতিবোৰে তাইৰ মনটো বেদনাসিক্ত কৰি তুলিলে । শেষ ভালেই সকলো ভাল বোলা কথাষাৰৰ সাৰ্থক ৰূপায়নৰ বাবে, তাইৰ সুবিধা-অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জনে বিভিন্ন সময়ত আগবঢ়োৱা সহায়, পৰামৰ্শৰ প্ৰতি কৃতজ্ঞতা জনাই বিদায় সভাত দুআষাৰ ক'বৰ বাবে যেন ভাৱ সাগৰত বুৰ গ'ল অনামিকাৰ ভাৱ-গধূৰ মন।

## Beauty of the Week




Nisha mallick



Nitul deka

## Photography of the Week




promiti boro

Beauty of the Week Art of the Week আৰু · Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286